# ।। চতুর্থ অধ্যায় ।।

# চতুৰ্থ অধ্যায়

## মায়ঙৰ মন্ত্ৰসাহিত্যৰ সাধাৰণ পৰিচয়

৪.০ মন্ত্ৰ ঃ

মন্ত্ৰ লোকজীৱনৰ অঘোষিত জীৱন সংগ্ৰামৰ বাহন। লোকজীৱনৰ সৰল বিশ্বাস যে মন্ত্ৰৰ জৰিয়তেই প্ৰাকৃতিক দুৰ্যোগ, বেমাৰ-আজাৰ, বন্য জন্তুৰ আক্ৰমণ, জীৱ-জন্তুৰ অসুখ আৰু সকলো ধৰণৰ অশুভ শক্তিক নাশ কৰিব পাৰি। মন্ত্ৰত বাঙ্ময় হৈ আছে কোনো এটা জাতিৰ আবেগ, অনুভূতি, কল্পনা আৰু অভিজ্ঞতা। মন্ত্ৰৰ উৎপত্তি একে দিনাই হৈছিল বুলি ক'ব নোৱাৰি। অতি প্ৰাচীন কালৰপৰাই মন্ত্ৰৰ প্ৰচলন হৈ আজি পৰ্যন্ত কম বেছি পৰিমাণে ব্যৱহৃত হৈ আহিছে।

মন্ত্ৰ শব্দটোৰ বুৎপত্তিগত অৰ্থ[১] হৈছে এনে ধৰণৰ— মন্ত্ৰ ধাতুৰপৰা ই উদ্ভৱ হৈছে। মন্ত্ৰ + ঘঞ কৰ্ম অৰ্থাৎ ক (কোৱা) (To Speak) কথাপতা, আলাপ উপদেশ প্ৰদান, উপদেশ গ্ৰহণ চিন্তা কৰা, গোপনীয়ভাবে কৰা কথোপকথন ইত্যাদি।

'মন্ত্ৰ'ৰ আভিধানিক অৰ্থ হৈছে[২] (১) দেৱতাক উপাসনা কৰা বান বা বাক্য, (২) সাংকেতিক অৰ্থযুক্ত কোনো দেৱ-দেৱীৰ নাম বা গুণ বুজোৱা বিশেষ শব্দ বা আখৰ, (৩) ৰোগ, ভূত-প্ৰেত আদিৰপৰা ৰক্ষা পৰিবলৈ আৰু মানুহ অপদেৱতা আদিক বশ কৰিবলৈ ব্যৱহাৰ কৰা বাক্য, (৪) কোনো কাৰ্য কৰিবলৈ কৰা দৃঢ় সংকল্প, (৫) উপদেশ, মন্ত্ৰণা, (৬) নীতি। কোনো বেমাৰ-আজাৰ আদিৰ উৎপত্তিৰ মূলতে দেৱ-দেৱী বা অন্য দেৱতাৰ অসন্তুষ্টি বুলি পুৰণি কালৰপৰাই লোক বিশ্বাস চলি আহিছে। গতিকে বিভিন্ন ৰোগ নিৰাময়ৰ বাবে দেৱ-দেৱীৰ স্তুতি কৰি মন্ত্ৰ উচ্চাৰণ আৰু ভেষজ ঔষধৰ ব্যৱহাৰ কৰিলে আৰোগ্য হয় বুলিয়েই লোকজীৱনৰ বিশ্বাস। গেইট চাহাবৰ মতে বংগদেশ,

---

১ বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ সম্পা. অসমীয়া লোক সাহিত্য, পৃ. ১

২ চলিহা, সুমন্ত ঃ আধুনিক অসমীয়া শব্দকোষ, ১৯৯৯, ষষ্ঠ প্ৰকাশ

উৰিষ্যা, পঞ্জাৱ আদি প্ৰদেশত মন্ত্ৰৰ প্ৰচলন আছিল যদিও সৰহভাগ মন্ত্ৰ কামৰূপতে সৃষ্টি হৈছিল।[৩] প্ৰফুল্ল দত্ত গোস্বামীয়ে মন্ত্ৰৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰিছে— 'প্ৰকৃতি আৰু পৰিৱেশক আয়ত্বাধীন কৰাৰ কামনাৰে তেওঁলোকে (আদিম লোক সমাজে) আশ্ৰয় ল'লে যাদুৰ। যদি বৰষুণৰ দৰকাৰ হয়, তেনেহ'লে তেওঁলোকে দেওক প্ৰাৰ্থনা নজনাই, নিজেই গোটেই খেলটো গোট খাই বৰ্ষা নৃত্য নাচি লয় যিদৰে বৰষুণৰ আগন্তুক হয়, যিদৰে পানী পৰে সেই সকলো প্ৰাকৃতিক বৰ্ণনা সেই নৃত্যত প্ৰকাশ পায়। মন্ত্ৰবিলাক মুখে মুখে চলি আহিলেও তাৰ গঢ় সদায় ঠিক নাথাকে। ওজাই জোৰেৰে সেইবিলাক উচ্চাৰণ কৰোঁতে প্ৰায়েই কিছুমান কথা লগাই দিয়ে, সেই সময়ত ওজাৰ সকলো কথাই মন্ত্ৰ হৈ পৰে। মন্ত্ৰত আবেগৰ তীব্ৰতা আৰু উত্তেজনা প্ৰকাশ পায়।'[৪] বৈদিক যুগতো মন্ত্ৰৰ বহুল প্ৰচলন আছিল। অথৰ্ব বেদত থকা বিভিন্ন মন্ত্ৰ, ৰোগ, ৰোগ নিৰাময়ৰ ব্যৱস্থা, বনৌষধি ইত্যাদিয়ে প্ৰমাণ কৰে যে অথৰ্ববেদেই মন্ত্ৰৰ মূল গ্ৰন্থ। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্ত্ৰবোৰ ঘাইকৈ অথৰ্ববেদ, বৌদ্ধ আৰু হিন্দু তন্ত্ৰ শাস্ত্ৰ আৰু জনজাতীয় লোকসকলৰ বিশ্বাসৰ সংমিশ্ৰণত সৃষ্টি হোৱা বুলি উল্লেখ কৰিছে।[৫]

*অনন্ত গোঁসাই সুতিয়া আছন্ত।*
*চাৰিবেদ বাজ ভৈল নিস্বাস কাঢ়ন্তে।।*
*হুংকাৰ শব্দে অথৰ্ববেদ ভৈলা।*

× × ×

*অথৰ্ব বেদক আদ্য কৰতি কহে।*
*কৰতি মন্ত্ৰ জগতত বহে।।'*

মহাকাব্যৰ যুগতো মন্ত্ৰৰ প্ৰচলন আছিল। যুদ্ধক্ষেত্ৰত বিভিন্ন মন্ত্ৰপূতঃ বান, ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ ইত্যাদিৰদ্বাৰা মন্ত্ৰৰ প্ৰয়োগ ঘটিছিল।

প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ ভাষাত 'জড়বাদ' (Fetishism) আৰু জীৱবাদ (Animism) লিংগ পূজা, প্ৰজনন সম্পৰ্কীয় বিশ্বাস আদি নানান ধৰ্ম বিশ্বাসৰ বিৱৰ্ত্তনৰ আলোচনা কৰি

৩ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃষ্ঠা ৮৯
৪ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন সাহিত্য, পৃ. ১৭-১৯
৫ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮৯

ক'ব পাৰি যে অসমত আৰ্যভিন্নসকলেই শক্তি, ধৰ্ম আৰু তান্ত্ৰিক বিশ্বাসৰ প্ৰতিষ্ঠা কৰে। পিছলৈ আলপাইন আৰ্য প্ৰথাৰ লগত মিলি সেইবোৰ অনেক দূৰ হিন্দু ধৰ্মৰ শাৰীলৈ উঠিল যদিও মূলগতভাৱে সেইবোৰ ইন্দ্ৰজালিক, অসংস্কৃত অনুষ্ঠানৰ ভেঁটিতে প্ৰতিষ্ঠিত।'[৬]

'অসমত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা অতি পুৰণি কালৰপৰাই চলি আহিলেও প্ৰাক্‌শংকৰী যুগত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰসাৰৰ সময়ত ইয়াৰ ব্যাপকতা বৃদ্ধি পায়।'[৭] 'বৌদ্ধ পন্থীসকলে ভাৰতৰ বিভিন্ন প্ৰান্তত তুৰ্কীসকলৰদ্বাৰা অত্যাচাৰত জুৰুলা হৈ এই অঞ্চলটোক (পূব দেশীয়) নিৰাপদ স্থান হিচাপে বিচাৰি পালে। তেওঁলোকে বংগদেশৰ মাজেদি আহি এই অঞ্চলৰ পাহাৰীয়া অঞ্চলত বসতি কৰিবলৈ লৈছিলহি।'[৮] গতিকে দেখা যায় তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰসাৰে মন্ত্ৰক ব্যাপক পৰিসৰ দান কৰে। চৰ্যাপদৰ সময়ছোৱাত বিশেষকৈ, শালস্তম্ভ আৰু পাল ৰাজবংশৰ ৰাজত্বকালত অসমত মন্ত্ৰ সাহিত্যই বিশেষ প্ৰসিদ্ধি লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি। হাড়ীপা, মৎস্যেন্দ্ৰনাথ, ময়নামতী আদিৰ নামৰ সৈতে মন্ত্ৰৰ সম্পৰ্ক অতি গভীৰ।

মন্ত্ৰসমূহৰ বিষয়বস্তু লক্ষ্য কৰিলে সেইবোৰত বৌদ্ধ মহাযান ধৰ্মৰ মন্ত্ৰযান শাখাৰ প্ৰভাৱ পৰা যেন লাগে। 'বৌদ্ধ সাহিত্যৰ অন্তৰ্গত দীৰ্ঘ নিকায়ৰ ভিতৰৰ ব্ৰহ্মজাল সূত্ৰত নানা প্ৰকাৰৰ 'ৱিজ্জা (বিদ্যা) অৰ্থাৎ, গুপুত মন্ত্ৰৰ কথা আছে। এইবোৰৰ প্ৰচলনৰ পিনে চাই তথাগত ভাৱেৰে সিবোৰক 'তিৰচ্ছান' অৰ্থাৎ তিৰ্যক বা কুটিল আখ্যা দিছিল। বৌদ্ধ সাহিত্যৰ 'মঞ্জুশ্ৰী মূলকল্প'ত অসংখ্য এনে মন্ত্ৰ আছে। কালক্ৰমত এই তন্ত্ৰ-মন্ত্ৰসমূহৰ প্ৰভাৱ হিন্দু ধৰ্মতো পৰিছিল।'[৯]

খৃষ্টীয় অষ্টম-নৱম শতিকা মানতে নীলাচল কামাখ্যাৰপৰা জলপথেৰে মায়ং অঞ্চলত তন্ত্ৰ মন্ত্ৰ সাধনাৰ সূত্ৰপাত ঘটে বুলি পণ্ডিতসকলে অনুমান কৰে। খ্ৰীষ্টিয় অষ্টম-নৱম শতিকাৰ বিখ্যাত দাৰ্শনিক শংকৰাচাৰ্যৰ জীৱন কাহিনীৰ সৈতে কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ কথা জড়িত হৈ আছে। যোগিনী তন্ত্ৰত উল্লেখ থকা মতে খৃষ্টীয় নৱম শতিকা মানৰ

৬ নেওগ, হৰিপ্ৰসাদ, গগৈ লীলা (সম্পা.) ঃ অসমীয়া সংস্কৃতি, ১৯৭৫, পৃ. ৪৭

৭ নাথ, কমল চন্দ্ৰ ঃ সাহিত্য সংস্কৃতিৰ মাধুৰ্য, পৃ. ৬৯

৮ নাথ, ভৱকান্ত (অনু) ঃ অসমীয়া সংস্কৃতিৰ পটভূমি, পৃ. ৯২

৯ নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৪৫

পৰাই কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ কেন্দ্ৰস্থান হৈ পৰিছিল। আহোম স্বৰ্গদেউসকলেও যুদ্ধ বিগ্ৰহ আদি বিভিন্ন কামত মন্ত্ৰৰ সহায় লোৱা পৰিলক্ষিত হয়। বীৰ চিলাৰায়ে সৰ্পমন্ত্ৰৰে গৌড়ৰ নৱাবৰ মাতৃক জীৱন দান দিয়াৰ কথাও বুৰঞ্জী প্ৰসিদ্ধ। পাদশ্যাহ বুৰঞ্জীতো অসমীয়া তিৰোতা কুমন্ত্ৰ আদিত পাকৈত বুলি উল্লেখ আছে।'[১০] গতিকে দেখা যায় যে অতি প্ৰাচীন কালৰ পৰাই কামৰূপৰ লোক জীৱনত প্ৰভূত পৰিমাণে মন্ত্ৰৰ প্ৰয়োগ হৈ আহিছে।

অতি প্ৰাচীন কালৰপৰা সময়ে সময়ে মন্ত্ৰৰ প্ৰয়োগ আৰু প্ৰচলনৰ বিষয়ে বিভিন্ন টোকা প্ৰত্নলিপি, গ্ৰন্থ, তুলাপাত আদি সমলে কামৰূপত মন্ত্ৰ চৰ্চাৰ বিষয়ে সম্ভেদ দিয়ে। ডিম্বেশ্বৰ নেওগৰ মতে মন্ত্ৰসমূহ অতি আদিম, অন্ততঃ একাদশ-দ্বাদশ শতিকাৰ পিছলৈ নাহে; বিশেষকৈ অসমীয়া সমাজত বৈষ্ণৱ ধৰ্মৰ ঢৌ উঠাৰ পাচত আৰু এনেবোৰ তন্ত্ৰমন্ত্ৰৰ ন-কৈ জন্মহোৱা সম্ভৱ নহয় বুলিয়ে ভাবিব পাৰি।[১১] গতিকে ৰক্ষণশীলতাৰ কাৰণে পুথিবোৰত ভাষাৰ পৰিৱৰ্ত্তনৰ মাজতো প্ৰাচীনতাৰ নিদৰ্শন ৰৈ গৈছে।'[১২] 'নগাঁৱৰ মায়ং অঞ্চল মধ্যযুগৰ পৰাই তন্ত্ৰ মন্ত্ৰৰ কেন্দ্ৰস্থল বুলি প্ৰসিদ্ধি আছে। মায়ং অঞ্চলৰ প্ৰত্নতাত্ত্বিক বা পুৰাতাত্ত্বিক সমলসমূহ খ্ৰীষ্টীয় ৮ম-৯ম শতিকাৰপৰা ১১শ-১২শ শতিকাৰ বুলিল ঠাৱৰ কৰা হৈছে। এই সমলসমূহৰ ভিতৰত শিৱ-পাৰ্বতী, শিৱলিংগ, যোনীপীঠ, সূৰ্যচক্ৰ, পদ্মচক্ৰ আদিৰ সংখ্যাই সৰহ। গৱেষকসকলে এই সমূহক মায়ঙীয়া তান্ত্ৰিকসকলে মন্ত্ৰ সাধনৰ বাবে একালত ব্যৱহাৰ কৰা 'যন্ত্ৰ' বুলি অভিহিত কৰিছে। এই 'যন্ত্ৰ'সমূহক উপলক্ষ্য কৰিয়েই তান্ত্ৰিকসকলে মন্ত্ৰৰ নিৰন্তৰ সাধনা কৰিছিল।'[১৩]

## ৪.১ মন্ত্ৰ সাহিত্যৰ শ্ৰেণী বিভাজন ঃ

'যোগিনী তন্ত্ৰ'ত মন্ত্ৰসমূহক পাঁচ ভাগত ভাগ কৰা হৈছে— স্বপ্নাৱতী বিদ্যা,

---

১০ কাকতি, বাণীকান্ত ঃ পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃ. ১০২, ১০৩, ১১৩

১১ নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ১০০

১২ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৭

১৩ নাথ, উৎপল ঃ কালশিলা স্মৃতিগ্ৰন্থ ঃ মায়ঙত যাদু বিদ্যাৰ সাধনা বিজ্ঞান, বিশ্বাস আৰু অন্ধবিশ্বাস, উৎপল নাথ, পৃ. ১২০

মধুমতী বিদ্যা, পদ্মাৱতী বিদ্যা, বশীকৰণ বিদ্যা আৰু মৃতসঞ্জীৱনী।[১৪]


নবীনচন্দ্ৰ শৰ্মাই মন্ত্ৰক তিনিটা প্ৰধান ভাগত ভাগ কৰিছে—

ক) প্ৰাৰ্থনামন্ত্ৰ

খ) ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ

গ) যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ [১৫]

এই মন্ত্ৰ বিভাজনক ভিত্তি হিচাপে লৈ মন্ত্ৰসমূহ এনেদৰেও তালিকাৰ মাধ্যমেৰে শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰি—




যাদুমূলক মন্ত্ৰক ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সু-মন্ত্ৰ বা কল্যাণকাৰী যাদু আৰু কুমন্ত্ৰ বা অকল্যাণকাৰী যাদুমন্ত্ৰ আখ্যা দিব পাৰি। কু-মন্ত্ৰসমূহ সাধাৰণতে 'অভিচাৰ মন্ত্ৰ' ৰূপে জনাজাত।

**৪.১.১ প্ৰাৰ্থনামন্ত্ৰ ঃ** দেৱদেৱীসকলৰ প্ৰতি স্তুতি বা প্ৰাৰ্থনা কৰাৰ নিয়ম বহু প্ৰাচীন কালৰপৰা ভাৰতীয় সাহিত্যত পোৱা গৈছে। এই স্তুতি গীতসমূহক প্ৰাৰ্থনামন্ত্ৰ বুলি কোৱা হয়। 'প্ৰাৰ্থনামন্ত্ৰ বিনয় সূচক আৰু এইবিধ মন্ত্ৰৰ উদ্দেশ্য দেৱদেৱীৰ অনুগ্ৰহ

---

১৪ যোগিনী তন্ত্ৰ, সপ্তম পটল ১-৩, পৃ. ৯২

১৫ শৰ্মা, নবীন চন্দ্ৰ ঃ লোক সংস্কৃতি, পৃ. ১৫৬

নিগ্ৰহ লাভ। প্ৰাৰ্থনামন্ত্ৰ ব্যক্তিগতভাৱে বা সামূহিকভাৱে আবৃত্তি হ'ব পাৰে অথবা গেয় হ'ব পাৰে। শান্ত ৰসসিক্ত এইবিধ মন্ত্ৰত বিপদ তাৰণ আকাংক্ষাৰ ভাবো সম্পৃক্ত হৈ থাকে।'[১৬] এনে বহু মন্ত্ৰ অঞ্চলটোত পোৱা গৈছে। এই মন্ত্ৰক দুটা ভাগত ভাগ কৰিব পাৰি— (ক) সংস্কৃত আৰু (খ) লৌকিক।

**৪.১.১.১ (ক) সংস্কৃত ঃ**

*"অকাল মৃত্যু হৰণং*
*সৰ্ব্বব্যাধি বিনাশয়ং*
*বিষ্ণু পাদোদকং পুণ্যং*
*শিৰসা ধাৰয়ামহ্যম।"*[১৭]

গায়ত্ৰী মন্ত্ৰ অন্য এক প্ৰাৰ্থনা মন্ত্ৰ। এই মন্ত্ৰটি প্ৰত্যেক গুৰুৱে আৰম্ভণিতে শিষ্যসকলক দান কৰে।

*"ওঁম ভূ ভুবঃ স্বঃ তৎ সবিৰ্তু বৰেণ্যম*
*ভৰ্গো দেৱস্যধীমহি*
*ধীয়ো য়ো ন প্ৰচোদয়াৎ।"* (সাৱিত্ৰী গায়ত্ৰী)[১৮]

(হে সৱিতা আমি তোমাক বন্দনা কৰো, তুমি সংস্ৰষ্টা পৃথিৱী, অন্তৰীক্ষ, স্বৰ্গ আদিৰ স্ৰষ্টা, তুমি আমাৰ ধী শক্তি বৃদ্ধি কৰা আৰু আমাক সুপথে পৰিচালিত কৰা।)[১৯]

আন কেইটিমান গায়ত্ৰী হৈছে শিৱ গায়ত্ৰী, গোৰক্ষ গায়ত্ৰী। প্ৰতিটো গায়ত্ৰী পাঁচবাৰকৈ গাব লাগে।

**৪.১.১.২ (খ) লৌকিক ঃ** বিভিন্ন প্ৰসংগত দেৱ-দেৱীক স্তুতি, প্ৰাৰ্থনা কৰা হয়। এই প্ৰাৰ্থনা বা স্তুতি সংস্কৃত আৰু লৌকিক এই দুয়ো ভাষাতে পোৱা যায়। লৌকিক ভাষাৰ এনে মন্ত্ৰ বা প্ৰাৰ্থনা গীত এটি এনেধৰণৰ ঃ

১। *"(জয়) জন্মিলা দশভুজা মহীতলে পূজা*
*অসুৰ বধৰ হেতু*

১৬ বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা.) ঃ অসমীয়া লোকসাহিত্য, পৃ. ৩০
১৭-১৮ সংবাদদাত্ৰী, দেৱী মামণি, ৰজামায়ং (৪৭)
১৯ বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা.) ঃ অসমীয়া লোকসাহিত্য, পৃ. ২৬

*যিজনে কৰে গৃহা        দুৰ্গাৰ চৰণে*
*সংসাৰ সাগৰে সেতু।*
*ভুকুতি মুকুতি        ঐশ্চৰ্য বিভূতি*
*দুৰ্গাক পূজিলে পায়।*
*দুৰ্ঘোৰ সংকটে        দুৰ্গাপদ বিনে*
*উদ্ধাৰ কৰন্তা নাই।”*[২০]

**৪.১.২ (খ) ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ ঃ** এই মন্ত্ৰসমূহক আলোচনাৰ সুবিধাৰ বাবে দুটা ভাগত ভাগ কৰা হৈছে। মায়ং অঞ্চল সনাতন হিন্দু ধৰ্মৰ লগতে চৈতন্য পন্থীয় বৈষ্ণৱ ধৰ্মী লোকৰো বসতিস্থল। প্ৰায় সকলো লোকেই কমবেছি পৰিমাণে পুৰা-গধূলিৰ ধৰ্মীয় কৃত্য আদিৰ পালনৰ সময়তে মন্ত্ৰ উচ্চাৰণ কৰে। এই মন্ত্ৰসমূহকো দুটা ভাগত ভাগ কৰা হৈছে—

(১) ধৰ্মৰ সতে জড়িত

(২) গাৰ্হস্থ্য জীৱনৰ সতে জড়িত।

নিজ নিজ ধৰ্ম সুচাৰুৰূপে পালন কৰিবলৈ গোঁসাইঘৰ বা ধৰ্মীয় কামকাজ আৰু গৃহস্থী ঘৰৰ ধৰ্মীয় কামকাজৰ এই মন্ত্ৰসমূহ গোৱা হয়। স্বগৃহ অথবা সমূহীয়া গোঁসাইঘৰ এই দুয়ো ঠাইতে এই মন্ত্ৰসমূহ গোৱা হয়। ইয়াৰ প্ৰধান উদ্দেশ্যে হৈছে দিনটোৰ সমূহ কামকাজ সুচাৰুৰূপে সম্পন্ন কৰি গৃহস্থীঘৰ আৰু সমাজৰ কল্যাণ সাধন কৰা।

মন্ত্ৰত গুৰুৰ প্ৰভাৱ অপৰিসীম। মন্ত্ৰসমূহ শিষ্যৰ চাৰিত্ৰিক দিশ, নৈতিকতা আদিৰ ওপৰত ভিত্তি কৰি গুৰুৱে দান কৰে। সেয়ে মন্ত্ৰত গুৰু বন্দনাই এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। সেই মন্ত্ৰবোৰ এনেধৰণৰ—

**৪.১.২.১ ধৰ্মৰ সতে জড়িত মন্ত্ৰ ঃ**

**১. গুৰুসম্বন্ধীয় মন্ত্ৰ ঃ**

*গুৰুক সুমৰি সাত প্ৰহৰৰ বাট যাওঁ*
*গুৰুৰ আজ্ঞাক মই শিৰত যে ধৰি*

২০ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩০

*কু-মন্ত্ৰ বিষগণ মাৰো উৎস কৰি।*[২১]

**২. দীক্ষামন্ত্ৰ ঃ**

*পূবে বান্ধো ভানু, ভাস্কৰ বান্ধো ঘৰ বান্ধো*

*দ্বাৰ কান্ধো কালকূট নামে নাৰায়ণ।।*

*জানি নামে ৰাখিবাহা হৰি তোমাৰ দুখানি পাৱ।।*

*.... আদি।।*[২২]

**৩. মন্ত্ৰত শপত ঃ** এই বাক্য লৰ যেবে। মহাদেৱৰ ত্ৰিশূলত ধৰি মৰস তেবে। মহেশ্বৰ ত্ৰিশূলত পৰি মৰ। মহাদেৱীৰ স্তনত ধৰ।। ৰাম লক্ষ্মণৰ মুণ্ড খাৱ। গোবধ স্ত্ৰী বধ বাৰ।। মহাদেও বিষ্ণুৰ শপত।[২৩]

**৪. চৰণামৃত মন্ত্ৰ ঃ** *ওঁ ধ্বজ ব্ৰজ যৱ পংকজ*

*অংকুল পূৰ্ণকৃষ্ণ বাসুদেৱায়ে নমঃ।*[২৪]

**৫. মালা আৰু চন্দন দিয়া ঃ** সপ্তস্বৰ্গৰ ওপৰত গোলোক বৈকুণ্ঠ সপ্তস্বৰ্গ ভূলোক, ভূৱলোক, স্বলোক মহলোক, জনলোক, তপলোক আৰু সত্যলোক।[২৫]

**৬. উপৱীতবন্ধা মন্ত্ৰ ঃ** ওঁ ব্ৰহ্মা বিষ্ণু মহেশ্বৰ, বাসুকী পৱন অমল সূৰ্য উক্ৰ সূৰাচাৰ্য গ্ৰন্থেসু নৱগুণে নৱ দেৱতা। সাধনাৰ্থন উত্তিষ্ঠতুম সূত্ৰেৎ যোগ সূত্ৰ ওঁ।।[২৬]

**৭. গাণ্ঠি দিয়ামন্ত্ৰ ঃ** *ওঁ শিৱ শংকৰ শম্ভু ভূধৰ মহোহৰে ওঁ।* এই মন্ত্ৰ মাতি লগুণ সূতা তিনিদৰিকৈ লৈ উপৱীত বান্ধিব লাগে আৰু আঢ়ৈ পেচ দি গাঁঠি দিব লাগে। সেইদৰে উপৱীত বা লগুণ সলনি কৰিবলৈ শিৱ গায়ত্ৰী, সাৱিত্ৰী গায়ত্ৰী জপ কৰি উপৱীত সলোৱা হয়।

**৮. ফুলবিভৰ মন্ত্ৰ ঃ** *ৰাম নামে ফুল তুলসী গোবিন্দ নামে জনম।*

*আমি ফুল তোলো ছয় গোপীৰ বল।*[২৭]

ওম নাৰায়ণ বুলি তিনিচলু পানী চতিয়াই তিনিটা চাপৰি মাৰি ফুল তুলসী চিঙিব লাগে।

---

২১-২৩ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ
২৪-২৭ সংবাদদাত্ৰী, দেৱী, মামণি; ৰজামায়ং (৪৭)

**৯. তুলসী চিঙা মন্ত্ৰ ঃ**

*তুলসী তুলসী গগনে বিহাৰ*

*কাহ তুলসী কিনাম তোমাৰ। সত্যত*

*সত্যৱতী ত্ৰেতাত মালতী, দ্বাপৰে বৃন্দা দুটি*

*কলিতে তুলসী শিৰে... ঢাপে জলে*

*উন্নৈশ কোটি তীৰ্থৰ ফল....।*[২৮]

**১০. গোঁসাই ঘৰৰ দুৱাৰ মেলা মন্ত্ৰ ঃ**

*সুনিন্দ নন্দসু দুই পাৰিষদ বৰ*

*প্ৰণামোহো জগন্নাথ চাৰি দিয়া*

*দ্বাৰৰ কপাট।*[২৯]

**১১. গোঁসাই ঘৰ মছা মন্ত্ৰ ঃ**

*ভূৱন মোহন তয়ে নাৰদ প্ৰহ্লাদে*

*হৰি মন্দিৰৰ মছিলা ঠাই। নধৰিবা দায়*

*ঔং হ্ৰীং শ্ৰীং বাসুদেৱায়ে নমঃ।* [৩০]

**১২. আসন শুদ্ধি মন্ত্ৰ ঃ**

*আসনত ধৰি ওঁ হ্ৰীং আধাৰ চক্ৰে*

*কমলাসনায়ে স্বাহা।*[৩১]

**১৩. আসনত উঠা-বহা মন্ত্ৰ ঃ**

*ধৰিত্ৰী মাতা শিৰত লৈ*

*শূন্য আসনত বহো মই।*[৩২]

**১৪. পুষ্প শুদ্ধি মন্ত্ৰ ঃ**

*ও পুষ্পে মহাপুষ্পে সুপুষ্পে পুষ্পে*

*পুষ্পে বিলিয়তে ওঁ কং হুং স্বাহা।*[৩৩]

---

২৮-৩৩ সংবাদদাত্ৰী দেৱী, মামণি; ৰজামায়ং (৪৭)

**১৫. তিলক গোলামন্ত্ৰ ঃ**

*অশ্বকান্ত ৰথকান্ত বিষ্ণু কান্ত*

*বসুন্ধৰা বিষ্ণু হৰি নাৰায়ণে নমঃ।*[৩৪]

**১৬. শলিতা জ্বলোৱা মন্ত্ৰ ঃ** ৰাম নামে তেল সত্যই শলিতা, দ্বাপৰে চাকি, ত্ৰেতাই সৰিয়হৰ জন্ম। সোণৰ জখলাইদি আনিলো নমাই ছয় গোপীয়ে শলিতা জ্বলাই অজ্ঞান আন্ধাৰ দূৰহৌক বুলি গুৰুৰ নাম সুমৰি। ওঁ হুটাসনায়ে স্বাহা।[৩৫]

**১৭. ধূণা জ্বলোৱা মন্ত্ৰ ঃ** ধূণা বাতিটো ব্ৰহ্মকুণ্ড বা অগ্নিকুণ্ড ধূণা দিয়া ও হুতাশনে স্বাহা জল দিয়া ও অংগেয়ে স্বাহা।[৩৬]

**১৮. শৰাই বা থাপনা পতা মন্ত্ৰ ঃ** ওম নমো নাৰায়ণ, ওঁ আদিত্যাদি বৰাহে নম, অন্তদ্বীপে আসন নিৰ্মল বৈকুণ্ঠ।[৩৭]

**১৯. শান্তিপানী লোৱা মন্ত্ৰ ঃ** শংখপাণি চক্ৰপাণি গদাপাণি পদ্মপাণি, হাত পাত শুদ্ধি কৰো গুৰু নাম স্মৰি।[৩৮]

**২০. সৰ্বশান্তি মন্ত্ৰ ঃ** ওঁ গংগা গীতা গয়া সাৱিত্ৰী সীতা সত্য পতিব্ৰতা ব্ৰহ্মবলি ব্ৰহ্মবিদ্যা ত্ৰিসন্ধ্যা মুক্তি গৃহিনী ভৱাগ্নী অৰ্দ্ধমাতা তথা চ জ্ঞান মঞ্জুৰী গংগেচ যমুনেচ গোদ্দাবৰী সৰস্বতী নৰ্মদা সিন্ধু কাবেৰী জলহস্মিনীং সমিধিং ক্ৰুং।।[৩৯]

**গুৰুপ্ৰণাম ঃ** *ওঁ তৎসৎ*

*গুৰু অখণ্ড মণ্ডলাকাৰং ব্যাপ্তং যেন চৰাচৰম্*

*তৎপদঃ দৰ্শিতং যেন তস্মৈ শ্ৰীগুৰুৱে নমঃ।।*

*অজ্ঞান তিমিৰান্ধস্য জ্ঞানাঞ্জনা শলাকায়া*

*চক্ষু ৰুন্মীলিতং যেন তস্মৈ শ্ৰীগুৰুৱে নমঃ... ।*[৪০]

এই মন্ত্ৰসমূহৰ মূল হৈছে ধৰ্মীয় সাধনা। ধৰ্মৰ সাধনাত গুৰু অপৰিহাৰ্য। গুৰুৱে দিয়া দিহা-পৰামৰ্শ আদিৰে আগুৱাই গ'লেহে সাধনাত সিদ্ধি লাভ কৰা সম্ভৱ। সেয়ে গুৰু প্ৰণাম, গুৰুসম্বন্ধীয় মন্ত্ৰ আদিত প্ৰথমে গুৰুক অৰ্চনা কৰি লোৱা হয়।

---

৩৪-৪০ সংবাদদাত্ৰী দেৱী, মামণি; ৰজামায়ং (৪৭)

**৪.১.২.২. গাৰ্হস্থ্য জীৱনৰ সতে জড়িত ঃ**

এই মন্ত্ৰসমূহো ধৰ্মীয় মন্ত্ৰই। মন্ত্ৰসমূহত গাৰ্হস্থ্য জীৱনৰ প্ৰাত্যহিক কৃতকৰ্ম কৰিবৰ সময়ত ভগৱানক স্মৰণ কৰিবলৈ এই মন্ত্ৰসমূহত বিধান দিয়া হয়। পুৱাতেই উঠি মাটিত ভৰি দিয়াৰ পৰা গোঁসাইঘৰ, ৰান্ধনীঘৰ, দৈনন্দিন কাৰ্য আদি কৰি ৰাতি শয়ন কৰালৈকে সকলো কৰ্মৰে মন্ত্ৰ দেখিবলৈ পোৱা যায়। এনে মন্ত্ৰসমূহ হৈছে—

**১. মাটিত ভৰি দি নমা ঃ**

*মাধৱ মাধৱ মাধৱ মাধৱ মাধৱ*
*মন্ত্ৰ ও প্ৰিয়দত্তায়ে ভৱেনমঃ।* [৪১]

এই মন্ত্ৰটি মাতি নমস্কাৰ কৰি পুৰুষে সোভৰি দি আৰু নাৰীয়ে বাওভৰি দি মাটিত ভৰি দি নামিব লাগে।

**২. বাঢ়নীৰ মন্ত্ৰ ঃ**

*কোষা তৃণাং পৰিধানম*
*ঐং হ্ৰীং শ্ৰীং বাসুদেৱায়ে নমঃ।* [৪২]

**৩. প্ৰস্ৰাৱ কৰা মন্ত্ৰ ঃ**

*সোণৰ লিংগ (ইন্দ্ৰীৰা)*
*ৰূপৰ ধাৰ সৰ্ব্বদোষ মাৰ্জনা কৰিব*
*ধৰিত্ৰী মাও।* [৪৩]

এই মন্ত্ৰ জপ কৰি সূৰ্যৰ ফালে পিঠি দি পুৰুষে লিংগ প্ৰকৃতি (নাৰী)য়ে ইন্দ্ৰীৰা বুলি তিনিটা হাতচাপৰি মাৰি প্ৰস্ৰাৱ কৰিব লাগে।

**৪. শৌচ কৰা মন্ত্ৰ ঃ** এডাল কুটী মাটিত পাৰি এডাল ভৰিৰ ওচৰত ৰাখি মাৰ্জন কৰিব লাগে। মন্ত্ৰটি হৈছে—

*ব্ৰহ্মবধী মহাপাপী স্থলে আছা তুমি*
*ৰাম নামে দূৰ কৰি কুটী পাৰি শৌচ*

---

৪১-৪৩ সংবাদদাত্ৰী দেৱী, মামণি; ৰজামায়ং (৪৭)

*কৰো আমি আঁতৰ হোৱা তুমি।।* [৪৪]

**৫. পানী তোলা মন্ত্ৰ ঃ**

*ব্ৰহ্মবধী মহাপাপী জলে আছা তুমি*

*ৰাম নামে দূৰ কৰি পানী তোলো আমি।* [৪৫]

**৬. গা-ধোৱা মন্ত্ৰ ঃ**

*গংগা গয়া গোদাবৰী*

*চক্ষে চাগু মাথে সৰস্বতী কুণ্ড*

*নিজ গুৰুৰ পদজলে দেহজীৱ*

*সকলো শুদ্ধ।* [৪৬]

মন্ত্ৰটি গাই পানী তিনিচলু মূৰৰ ওপৰত চতিয়াই গা ধূব লাগে।

**৭. কাপোৰ পিন্ধা মন্ত্ৰ ঃ**

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চৰাচৰ জগতৰ ঈশ্বৰ*

*ধূনি পানি কানিৰ পঞ্চ আত্মা পুৰণ*

*কৰা গোপীৰ জীউ। অন্তৰ আত্মাই*

*শিৰায়ে মহেশ্বৰ...।* [৪৭]

**৮. টিকনী বা কবৰী বন্ধা মন্ত্ৰ ঃ**

*ব্ৰহ্মবাণী সহস্ৰগ্ৰামী বিষ্ণুবাণী*

*শতসহ শিৱবাণী সহস্ৰাণী*

*শিক্ষাবন্ধন কৰোমি অহম্।।* [৪৮]

**৯. গমন বা যাত্ৰাৰ মন্ত্ৰ ঃ**

*সহস্ৰ নামৰ তুল্য বিষ্ণু নাম ভৈলা*

*জয় বিজয় দুই কাষে ৰৈলা*

*হৰি ধ্বনি কৰি গুৰু পদধূলি*

*শিৰে মাথে তুলি লৈলো...।* [৪৯]

---

৪৪-৪৯ সংবাদদাত্ৰী, দেৱী, মামণি; ৰজামায়ং (৪৭)

**১০. চাউল ধোৱা মন্ত্ৰ ঃ**

*ৰাম নামে দেহা কল্পতৰু*
*গোবিন্দ নামে জল*
*মধুসূদন নামে পখালো*
*বাৰ ভকতৰ বল।* [৫০]

**১১. পাগ কৰা মন্ত্ৰ ঃ**

*ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ তিনিও ভৈলা উটন।*
*লাঙ্গেঁ সুলঙ্গেঁ মহামায়া চৰু সুৱৰ্ণ*
*ভৈলা হাল, ছয় ভকতে জল,*
*বাৰ ভকতে খৰি, অন্নপূৰ্ণা মাতৃয়ো হাঠা*
*ব্ৰহ্মাই অগ্নি, নাৰদে পাগবাৰী*
*বাওহাতে আই অলক্ষ জীৱক*
*বহাইলা একেজোখা অগ্নে*
*তিনিজোখা ভৈলা...।* [৫১]

**১২. ভোজনৰ মন্ত্ৰ ঃ**

*ভোজনে জনাৰ্দন ও বিষ্ণু বিষ্ণু।* [৫২]

**১৩. তামোল-পাণ কটা মন্ত্ৰ ঃ**

*চিতে তামোল বিতে পাণ*
*ৰাম নামে কটাৰি খান*
*ধ্বজ ব্ৰজ পংকজত কৰি মন স্থিৰ*
*সৰ্বপাপ ভষ্মহৌক এ পুণ্য শৰীৰ।* [৫৩]

**১৪. মুখ শুদ্ধি মন্ত্ৰ ঃ**

*এবেকহো মুখগুজি ভৈলা কোনজন*
*কটাৰী ভৈলা জানা নামে সুদৰ্শন*

---

৫০-৫৩ সংবাদদাত্ৰী, দেৰী, মামণি; ৰজামায়ং (৪৭)

*ভূপতি নামে চুণ বন পুষ্পে গান*

*সুসাৰ নামে তামোল ধূমেসে ধপাত*

*হোৱা বিহিত অন্বয়। ধৰিত্ৰী নামে*

*বটা সবাকো ৰাখয়।*

*ইহাক জানিলে ঈশ্বৰে লাগয়*

*নাজানিলে মুখগুজি কদাপি নহয়।।* [৫৪]

**১৫. উঠৰমকাম মন্ত্ৰ ঃ** শোওতে, যাওঁতে বাটে ঘাটে দিনে ৰাতিয়ে সকলোতে এই মন্ত্ৰটি মাতিব লাগে। কৰবাত ভয় পালে অলপ প্ৰস্ৰাৱ ধৰি চক্ষু, কাণ, নাক আৰু মুখত ঘঁহি দিলে মনৰ সকলো ভয় আঁতৰ হয়। মন্ত্ৰটি হৈছে—

*চুৰাটে চুৰামণি মহামুনি স্থিতি*

*পথৰ মধ্যে মহাবিষ্ণু কাৰে বসতি।*

*চক্ষুতে কালাচাদ বৈসে সদা কৰে ধ্যান,*

*নাসিকাতে নিত্যানন্দ মধুকৰে পান।।* [৫৫]

*কৰ্ণতে চৈতন্য গোঁসাই কৰে সাৱধান*

*আলজিহ্বাই সৰস্বতী বিনয় কৰে গান*

*মুখে বলভদ্ৰ বত্ৰিশ যোগাসন*

*জিহ্বাই নাৰদমুনি কৃষ্ণ গুণ গান।।* [৫৬]

**১৬. শয়ন বা নিদ্ৰা যোৱামন্ত্ৰ ঃ**

*ওঁ শয়নে পদ্মনাভি ৰুদ্ৰ ৰুদ্ৰানী*

*শ্ৰীগুৰু ভ্যম চৰণে নমঃ।।* [৫৭]

'ওঁ বিষ্ণু' নাম স্মৰণ কৰি পুৰুষে সোঁকাতি হৈ প্ৰকৃতিয়ে বাওকাতি হৈ শুব লাগে। এই মন্ত্ৰটিয়ে নিদ্ৰাৰ সকলো বিঘিনি নাশ কৰে বুলি লোকবিশ্বাস প্ৰচলিত আছে।

চৈতন্যধৰ্মী বৈষ্ণৱ পন্থৰ লোকসকলৰ অন্যতম গুপুত মন্ত্ৰ হৈছে 'কৰছা মন্ত্ৰ'।

---

৫৪-৫৭ সংবাদদাত্ৰী দেৱী, মামণি; ৰজামায়ং (৪৭)

এই মন্ত্ৰৰ ভাগ দুটি জল কৰছা আৰু পৃথিৰী কৰছা। এইমন্ত্ৰ কেৱল গুপুত সাধন প্ৰণালীৰ জৰিয়তে গুৰুৱে শিষ্যক দান কৰা দেখা যায়। নিজৰ মলমূত্ৰ আদি ধৰি এই মন্ত্ৰ জপকৰি দশ ইন্দ্ৰিয়ত ঘঁহি বাকী অৱশিষ্টখিনি খাবলৈ বিধান দিয়া হয়। এনে কৰিলে শৰীৰটো সকলো প্ৰকাৰৰ ৰোগ-ব্যাধি, দেও-ভূত, অপদেৱতা আদিৰপৰা ৰক্ষা কৰিব পাৰি বুলি লোকবিশ্বাস প্ৰচলিত আছে। কৰছা মন্ত্ৰ হৈছে—

**১৭. জল কৰছা ঃ**

১। *আ কৰছত কৰিয়া বিছাৰ*
*মধ্যে মধুৰ দুৱাৰে, তাকে খায়*
*জীয়াই উঠে সাত দিনৰ মৰা*
*উৰ্দ্ধ চন্দ্ৰ নদীৰ ভৰ ক্লীং কৃষ্ণ।।*[৫৮]

২। *কৰছা কৰছা কৰছা খায়*
*কৰছা খালে অঙ্গৰ ৰোগ বিয়াধা নাই*
*কায়াতে উৎপত্তি কায়াতে চলিয়া যায়।*
*কাম দেহ সত্য মোহ ৰূপ ধৰি খায়।।*[৫৯]

**১৮. পৃথিৰী কৰছা ঃ**

*নীৰ শিৰ নিৰ*
*নিতাই মহাবীৰ অতি ধীৰ*
*বীজ ওঁ আং হুং ফট গৰল*
*চন্দ্ৰায়ে স্বাহা।*[৬০]

এই মন্ত্ৰসমূহ ঘাইকৈ ধৰ্মীয় কৃত্যৰ সৈতে জড়িত। ধৰ্মীয় আৰু গাৰ্হস্থ্য জীৱনৰ লগত জড়িত এই মন্ত্ৰসমূহৰ সাধন প্ৰণালী গুপুত। কেৱল গুৰুৰ দ্বাৰাহে শিষ্যলৈ প্ৰেৰিত হয়। 'মন্ত্ৰবোৰ গুৰুমুখী, গুৰুৰ পৰা শিকি, গুৰুৰ নিৰ্দেশমতে প্ৰয়োগ নকৰিলে মন্ত্ৰবোৰ 'নাথাকে' অৰ্থাৎ নিৰৰ্থক হয়। মন্ত্ৰৰ অন্যতম বৈশিষ্ট্য ইয়াৰ গোপনীয়তা।[৬১]

---

৫৮-৬০ সংবাদদাত্ৰী, দেৱী, মামণি; ৰজামায়ং (৪৭)
৬১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩৩

### ৪.১.৩ যাদুৰ লগত জড়িত মন্ত্ৰ ঃ

'মন্ত্ৰ সাহিত্য প্ৰধানকৈ অসমীয়া ধাৰ্মিক বিশ্বাসৰ ইতিহাস।'[৬২] 'লোকবিশ্বাসৰ ফলতেই জন্ম হৈছে বিভিন্ন দেৱ-দেৱী, অপদেৱতা, ভূত-প্ৰেত, ডাইনী, যখ-যখিনী আদি। এইবোৰৰপৰা মানুহৰ বেমাৰ-আজাৰ, বিপদ-আপদ হয় বুলি বিশ্বাস কৰা হয়।'[৬৩] গতিকে এইবোৰক পূজা-পাতল দি বা মন্ত্ৰৰে সন্তুষ্ট কৰিব পাৰিলে বেমাৰ-আজাৰ, বিপদ-আপদৰ উপৰিও শত্ৰু আৰু জন্তুৰ ভয়ৰপৰাও মানুহ, জীৱ-জন্তু, শস্য সম্পদ আদি ৰক্ষা কৰিব পাৰি বুলি বিশ্বাস কৰা হয়। এই মন্ত্ৰসমূহ প্ৰধানকৈ কিছুমান সু বা উপকাৰী সেইবোৰক সুমন্ত্ৰ আৰু কিছুমান অপকাৰী বা কু-অভিপ্ৰায় সাধন কৰিবলৈ চেষ্টা কৰা হয়, সেইবোৰক কুমন্ত্ৰ বোলা হয়। বিষয়বস্তু অনুসৰি যাদুৰ লগত জড়িত মন্ত্ৰসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। সেইবোৰ এনেধৰণৰ—

১। যুদ্ধৰ সৈতে জড়িত মন্ত্ৰ

২। ৰোগব্যাধিৰ সৈতে জড়িত মন্ত্ৰ

৩। জৰাফুকাৰ সৈতে জড়িত মন্ত্ৰ

৪। দেওভূতৰ সৈতে জড়িত মন্ত্ৰ

৫। বশীকৰণ সম্বন্ধীয় মন্ত্ৰ

৬। দৈনন্দিন জীৱনৰ লগত জড়িত মন্ত্ৰ

৭। কৃষিৰ সৈতে জড়িত মন্ত্ৰ

৮। জীৱজন্তুৰ লগত জড়িত মন্ত্ৰ

৯। সৰ্প বা ধৰণী মন্ত্ৰ

১০। বিবিধ বিষয়ক মন্ত্ৰ

#### ৪.১.৩.১ যুদ্ধৰ সৈতে জড়িত মন্ত্ৰ ঃ

অতি প্ৰাচীন কালৰ পৰাই যুদ্ধক্ষেত্ৰত মন্ত্ৰ আৰু বাণ প্ৰয়োগৰ কথা পোৱা যায়।

---

৬২ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃ. ৯১

৬৩ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোকসংস্কৃতি, পৃ. ৫৭

হিন্দু ধৰ্মৰ প্ৰধান মহাকাব্য ৰামায়ণ আৰু মহাভাৰততো বিভিন্ন তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনৰ কথা পোৱা যায়। শত্ৰুপক্ষলৈ বাণ নিক্ষেপ কৰোতে প্ৰত্যেক বাণৰ বাবে ভিন ভিন মন্ত্ৰ উচ্চাৰণ কৰিহে বাণ এৰিছিল। 'যেনেকৈ হোমিও প্যোথিক চিকিৎসকে বিভিন্ন ৰোগৰ বাবে একেটা 'চুগাৰ' পাউদাৰ বা গ্ল'বিউলচ (Globues)ত ভিন ভিন ঔষধ মিহলাই ৰোগীক দিয়ে সেইদৰে একেই সাধাৰণ লো বা তীখাৰদ্বাৰা তৈয়াৰী একোপাত বাণত যোদ্ধাই ভিন ভিন মন্ত্ৰ উচ্চাৰণ কৰি কেতিয়াবা অগ্নিবাণ, বৰুণবাণ নাইবা নাগপাশ বানলৈ পৰিণত কৰি শত্ৰু পক্ষলৈ নিক্ষেপ কৰে। মহাভাৰতৰ যুদ্ধৰ এক পাৰ্শ্ব চৰিত্ৰ অশ্বত্থামাই হিতাহিত জ্ঞান হেৰুৱাই ঘৰৰ খেৰ কুটা এডালকে টান মাৰি আনি তাতেই ব্ৰহ্মমন্ত্ৰ উচ্চাৰণ কৰি ব্ৰহ্মাস্ত্ৰলৈ পৰিণত কৰি পাণ্ডৱলৈ নিক্ষেপ কৰিছিল। তাক নিৰ্বাপন কৰিবলৈ অৰ্জুনেও কৃষ্ণৰ নিৰ্দেশক্ৰমে টুনৰপৰা এপাত কাঁড় উলিয়াই মন্ত্ৰৰদ্বাৰা ব্ৰহ্মাস্ত্ৰলৈ পৰিণত কৰি এৰিছিল। কাৰণ ব্ৰহ্মাস্ত্ৰক ব্ৰহ্মাস্ত্ৰৰেহে বাধা দিব পাৰি বুলি পৌৰাণিক বিধান আছে।[৬৪] যুদ্ধক্ষেত্ৰত বাণ আৰু মন্ত্ৰ প্ৰয়োগৰ এনে অলেখ উদাহৰণ আছে। পাণ্ডৱক হিৰিম্ব আৰু হিৰিম্বাই বশীকৰণ মন্ত্ৰ, ঘটোৎকচেহে কুৰুক্ষেত্ৰৰ যুদ্ধত মন্ত্ৰ প্ৰয়োগ, অৰ্জুনে মহাদেৱৰ পৰা শিকা মন্ত্ৰ, পৰীক্ষিত ৰজাক ধনন্তৰী মন্ত্ৰৰ প্ৰয়োগৰপৰা 'কৌটিল্যৰ অৰ্থশাস্ত্ৰ'লৈকে গ্ৰন্থত নানা মন্ত্ৰ, প্ৰয়োগ, ঔষধ আদিৰ উল্লেখ পোৱা যায়। যুদ্ধত প্ৰয়োগ হোৱা এনে মন্ত্ৰবোৰ হৈছে—

**(ক) যুদ্ধত জিনা মন্ত্ৰ ঃ**

*'অমুকাৰ আংগমেলো জাংগমেলো*
*মেলো দশ অংগ, মংগলবাৰৰ দুপৰবেলা*
*নুমুঠি ববচাৰ দিলো গাঁঠি*
*অমুকাৰ বলবীৰ্য বাকশক্তি সবে হওঁক উদ্‌গতি।'*[৬৫]

**(খ) শত্ৰুদমন মন্ত্ৰ ঃ** এই মন্ত্ৰৰে শত্ৰুৰ অন্তৰত ভয়ৰ সঞ্চাৰ কৰি দমন কৰিব পাৰি। মন্ত্ৰটো হ'ল—

---

৬৪ হাজৰিকা, লোকেন্দ্ৰ; পৰিতৰা, পৃ. ৫০
৬৫ নাথ, কমল চন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৯

*'শ্ৰীকৃষ্ণায় নমো।। ৰাজমোহিনী ভয়বাণ*

*শ্ৰীকৃষ্ণায় নমো।। গুৰু ব্ৰহ্মা গুৰু বিষ্ণু*

*গুৰু মহেশ্বৰ। চৰাচৰ জগতৰ তুমিয়ে ঈশ্বৰ।।*

*গুৰু ধনন্তৰীয়ে নমো। আমি ভয় বাণ*

*অমুকাক হানো, ছয় চন্দ্ৰলোকক একত্ৰ*

*কৰো। লাগ ভয় লাগ অমুকাৰ মুখত*

*লাগে, হাতে গায়ে লাগ, পত্ৰয়ে লাগ*

*চক্ষুৰে লাগ। সুখে লাগ মাৰিলং মাথে*

*ফুকি ভয় অমুকাক হানো।...'*[৬৬]

এই মন্ত্ৰ মাতি তেলজাৰি, সেই তেল নিজে গাত ঘহিব লাগে। এনে কৰিলে শত্ৰু সহজে দমন হয় বুলি বিশ্বাস প্ৰচলিত আছে। 'কেতিয়াবা শত্ৰুৰ প্ৰতিকৃতি সাজি তাত ৰোগৰ মন্ত্ৰ উচ্চাৰণ কৰা হয় (imitative magic) তেতিয়া শত্ৰুক নানা তৰহৰ ৰোগে দেখা দিয়ে। কেতিয়াবা শত্ৰুৰ চুলি, দাঁত, নখ বা শত্ৰুই ব্যৱহাৰ কৰা বস্তু নি তাত মন্ত্ৰ সাধন কৰি ৰোগ জন্মোৰা হয় (contagious magic)।'[৬৭] ইয়াৰ উপৰিও বেগাই নাও চলিব পৰা মন্ত্ৰৰে নাৱৰ গতিবেগ বৃদ্ধি কৰা হয়, বৰুণ বাণৰ সহায়ত মন্ত্ৰ প্ৰয়োগ কৰিলে শত্ৰুৰ বন্দুকৰ নলাৰে গুলি নোলাই পানীহে ওলোৱা, বন্দুক বন্ধামন্ত্ৰৰে শত্ৰুৰ হাতৰ বন্দুক বান্ধি ৰাখিব পাৰি।

**(গ) বাণ মৰা মন্ত্ৰ ঃ**

*'মা হুং মা দেৱ, হুংমা*

*লাগ লাগ কালী অমুকাৰ হিয়াত লাগ*

*নালাগ যদি পাতাল চান্দি*

*গোঁসানীৰ মাথা খাবি...।'*[৬৮]

---

৬৬ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৮

৬৭-৬৮ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ, লোনমাটি (৫৫)

**(ঘ) বাণ কটা মন্ত্র ঃ**

*'ইয়ং সিয়ং পিয়ং পানী*

*মনুষ্যৰ বাণে মনুষ্যক কৰে হানাহানী*

*য'ৰে বাণ তকে লাগি যাবি উলটিবাণ*

*তাকে খাবি। যদি নে খাবি।*

*সোনা দেৱীৰ মাথা খাবি।'*[৬৯]

**(ঙ) বন্ধুক বন্ধা মন্ত্র ঃ**

*'শ্রীকৃষ্ণায়ে নমঃ উৰণ উৰণ উৰণে*

*মাৰো, উৰণে বান্ধিলো ন-খান দুৱাৰক*

*বাপ মহাদেৱ, চণ্ডী মা। উৰণে বান্ধো*

*অমূকাৰ হাতৰ বন্ধুক। ৰাখি কেছু কেছু*

*পিয়ে পানী। বাণক বাণে থালো হানি।'*[৭০]

গতিকে দেখা যায় যুদ্ধত শত্রুপক্ষক নিধন বা বশ কৰিবলৈ মন্ত্রৰ প্রয়োগ অতি প্রাচীন কালৰ পৰা প্রচলিত হৈ আহিছে।

### ৪.১.৩.২ ৰোগ ব্যাধিৰ স'তে জড়িত মন্ত্র ঃ

বিভিন্ন ৰোগ, ব্যাধি, বেমাৰ-আজাৰ আদিত আক্রান্ত হোৱাৰ পৰা মানুহ, শস্য, জীৱজন্তু আদিক ৰক্ষা কৰিবলৈ কিছুমান মন্ত্র পোৱা যায়। এই মন্ত্রসমূহত কিছুমান বনৌষধি বা ঔষধি গুণযুক্ত দ্রব্য ব্যৱহাৰ কৰা হয়। এনে বনৌষধি বা দ্রব্যৰ সতে জৰাফুকা কৰি মন্ত্রবোৰ উচ্চাৰণ কৰিলে সহজে আৰোগ্য লাভ কৰিব পাৰি বুলি লোকবিশ্বাস প্রচলিত আছে। এনেমন্ত্র কিছুমান হৈছে—

**(ক) সর্বঢাক মন্ত্র ঃ** এই মন্ত্রটো সকলো ধৰণৰ ৰোগৰপৰা নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে বিশেষ ৰোগৰ বাবে থকা বিশেষ মন্ত্রৰ বাবে যদি আগতে জাৰি তাৰ পিচত সর্বঢাক মন্ত্রৰে জৰা হয় তেন্তে আগৰ মন্ত্রৰ গুণাগুণ সর্বঢাকৰ

---

৬৯-৭০ সংবাদদাতা, হাজৰিকা, লোকেন্দ্র, লোনমাটি (৫৫)

ফলত নাশ পায়।[৭১] একে ধৰণৰ আন এটা মন্ত্ৰ হ'ল সুদৰ্শন মন্ত্ৰ। মন্ত্ৰটো এনেধৰণৰ—

*'অমুকাৰ গাৰে, বিষগণ আছে ধৰি, কাটিলো*
*বিষ খণ্ড খণ্ড কৰি, শিৰা বিষবাত বিষতুয়াবাত*
*জিন-জিনোৰা বাত, আউৰি, আবুধি, কাছ*
*কামুৰি একাঙ্গী, চৌৰাঙ্গী, পানী মঙ্গলী*
*ওঁৰবিৰুধ আন্তকৰালী, সৌৰমুখী চন্দ্ৰমুখী*
*... কৰ্ণমুৰালী যদুমণি, পোৰাগাম*
*গাঙ্গঁঠী, শোপালৈয়া, গলবেৰা, হেঙ্গেঁৰা*
*গলঘটিকা, শিয়ালগলা, পোৰা পিঙ্গঁলীয়া*
*গোসলখা আদি কৰি সৰ্ব্ববিষব্যাধি জাৰি*
*পানী কঁৰো, নৰভনী, সাতভনী, বাৰভনীৰ কথা*
*হৰ বিষ হৰ অমুকাৰ গাৰৰ সৰ্ব্ববিষ ব্যাধি*
*গু হুই পৰ। ফুং।।...।'* [৭২]

উক্ত মন্ত্ৰটিত দেখা যায় প্ৰাচীন কালৰ বিভিন্ন ৰোগৰ নামৰ বৰ্ণনা আছে। একেটি মন্ত্ৰ এই বিভিন্ন ৰোগৰ মহৌষধ ৰূপে হয়তো প্ৰচলিত হৈ আহিছে। মন্ত্ৰটিয়ে প্ৰাচীন ৰোগ-ব্যাধিৰ এটি থূলমূল আভাস দিব পাৰে।

**(খ) তেজ বন্ধহোৱা মন্ত্ৰ ঃ**

কাম কৰি থকা অৱস্থাত দেহৰ কোনো অংশত যদি ক্ষত হয় তেন্তে ক্ষত স্থানৰ পৰা যাতে তেজ ওলাব নোৱাৰে তাৰ বাবে এচিকটা ধূলি ক্ষতস্থানত টিপা মাৰি ধৰি একে উশাহতে মন্ত্ৰ উচ্চাৰণ কৰা হয় ঃ

*'সোণৰ নাঙল ৰূপৰ ফাল*
*ৰাম লক্ষ্মণে জুৰিলে হাল*
*হাল বাওতে উঠিল মাটি*
*মই তেজ ৰাখো সামি মুঠি।'* [৭৩]

৭১-৭৩ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ, লোনমাটি (৫৫)

**(গ) বুকুৰে-পিঠিয়ে হান মৰা মন্ত্ৰ ঃ** কাম কৰি থাকোঁতে উশাহ্ নিশাহ্ লওঁতে বুকুৰে পিঠিয়ে হান মাৰি ধৰিলে অকণমান মিঠাতেল আনি বিষ হোৱা ঠাইত বুঢ়াআঙুলিৰে হেচি-হেচি এই মন্ত্ৰ মতা হয়—

*'শৰ খাই শৰ কাঢ়ো শিৰ চৈতন্য চক্ৰপাক*
*চলি যা তই লংকাৰ পাৰ। হৰ বিষ হৰ*
*অমুকাৰ বিষ-ব্যাধি পানীকৃত হৈ পৰ।'* [৭৪]

**(ঘ) মূৰৰ বিষ জৰামন্ত্ৰ ঃ**

*'ওঁ শ্ৰীকৃষ্ণায়ে নমঃ ওঁং ধনন্তৰীয়ে নমঃ*
*চন্দ্ৰ কপালী বান্ধো, আগ কপালী বান্ধো*
*সূৰ্য কপালী বান্ধো, কপাল কামোৰণী*
*জাৰি পানীকৃত কৰো... ।'* [৭৫]

এই মন্ত্ৰটি বহুৰোগৰ মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। বিভিন্ন প্ৰকাৰৰ মূৰৰ বিষ (চন্দ্ৰকপালী, আগকপালী) আদিত ইয়াক ব্যৱহাৰ কৰা হয়।

**(ঙ) জুইয়ে পোৰা মন্ত্ৰ ঃ (১)**

*'ৰামে ফালিলে খৰি। লক্ষ্মণে জলালে জুই*
*সীতাই পানী ঢালিলে থাকে, যেনে তেনে হৈ*
*লংকাৰ আগ্নি হনুমন্তই খায়। মুখৰ অগ্নি মুখে নুমায়।'* [৭৬]

**(চ) জুইয়ে পোৰা মন্ত্ৰ ঃ (২)**

*'জুই অগ্নি জুইয়ে নুমাও হাতৰ অগ্নি হাতে*
*নুমাও মুখৰ অগ্নি মুখে নুমাও অমুকাৰ*
*হাতত পোৰা জাৰিছো সেই ফালে পানী উঠি পৰ।'* [৭৭]

**(ছ) টনচিল জৰা মন্ত্ৰ ঃ**

*'শ্ৰীকৃষ্ণায়ে নমঃ চুচমা, নাৰেঙ্গা, নাৰেঙ্গী*
*বগৰী গুটীয়া জাৰো, চেলাই পৰা জাৰো,*

৭৪-৭৭ নাথ, কমল চন্দ্ৰ ঃ মায়ঙত মন্ত্ৰ সংস্কৃতিৰ সাধনা, পৃ. ৩১

*অমৰা গুটীয়া জাৰো... হৰ বিষ্ণুহৰ,*
*চৌশষ্টি বৰা বিধিয়া জাৰো পানী*
*হৈ পৰ। তাকো যদি নামানিবি কামাখ্যা*
*দেৱীৰ মাথা খাবি, তাকো যদি নামানিবি*
*মায়ঙৰ পঞ্চদেৱতাৰ ৰোষত পৰি মৰিবি।'* [৭৮]

**(জ) ডিঙিত কাঁইট লগা মন্ত্ৰ ঃ**

১। *'সাগৰৰ পাৰত লগাও চাকি তাতে বাস কৰে*
*কুমাৰ কুমাৰণি; অমুকাৰ ডিঙিত মাছৰ*
*কাটা লগা জাৰিছো পিছলি পিছলি যা।'* [৭৯]

২। *'টৌ সাগৰৰ পাৰত শিমলুৰ গাছ তাতে ল'লে*
*কুৰুৱাই বাহ, কুৰুৱাই মাছ খাই কুৰে*
*ৱণী দেই ঠেলি, অমুকাৰ গলত কাঁইট*
*লাগিছে, আপুনি দিলা জতি।'* [৮০]

**(ঝ) ডিঙি জৰা মন্ত্ৰ ঃ**

*'শ্ৰীকৃষ্ণাই নমো ধনন্তৰীয়ে নমঃ*
*গল হেৰা গলবেৰা গল শতিকা*
*যম কতিয়া হুং হুং হুং কৰি লংকা*
*পাৰ হৈ যা নাথাকিবি বিষ-ব্যাধি অমুকাৰ।'* [৮১]

**(ঞ) পোৰামন্ত্ৰ ঃ**

*'হাতগুৰু বাতগুৰু শিক্ষাগুৰু কৰো নমস্কাৰ*
*আগন জ্বলে ধন্মাই দিলে হাক নুপুৰিবি*
*নজলিবি কুলা হৈ থাক হৰ বিষ্ণু হৰ*
*মই অমুকাৰ পুৰাজাৰো পানী উঠি পৰ*

৭৮-৮০ নাথ, কমল চন্দ্ৰ; মায়ঙত মন্ত্ৰ সংস্কৃতিৰ সাধনা, পৃ. ৩২
৮১ সংবাদদাত্ৰী, দেৱী ধৰিত্ৰী, ৰজামায়ং (২৫)

*এই বাক্যৰ লৰচৰ হয় যদি*

*মহাদেৱ পাৰবতীৰ চক্ৰত পৰি মৰ।'* [৮২]

**(ট) আলজিভা ভাল কৰা মন্ত্ৰ ঃ** আলজিভা বাঢ়িলে বেজে নিজৰ আঙুলিৰ জোখাৰে আঠ আঙুল দীঘলকৈ বনৰীয়া ক'লা কচু কাটি সেই কচু ঠাৰিৰে ৰোগীৰ ডিঙিত লগাই লগাই পাঁচ বাৰ বা সাতবাৰ মন্ত্ৰ মাতি জাৰে। জৰাৰ সময়ত ৰোগী পূবমুৱা আৰু বেজ পশ্চিমমুৱা হয়। জাঁৰোতে যদি কচুডাল অলপ দীঘল হৈছে, তেন্তে আলজিভা বাঢ়িছে বুলি বুজিব লাগিব আৰু যদি কম হৈছে তেন্তে বেমাৰ কমি যোৱা বুলি জানিব লাগে। চূণেৰেও জৰা হয়। সাধাৰণতে পুৱা-গধূলি দুবাৰকৈ তিনিদিন জৰা হয়। ডিঙিত গুটি হ'লে জৰাৰ তিনিদিন বা পাঁচ দিনৰ পিছত গুটি নাইকিয়া হয়। মন্ত্ৰটো হৈছে—

*'যম যম যম যম যম যাঠি জাৰৌ*

*অমুকাৰ যাঠি কমি পৰ।'* [৮৩]

পাঁচবাৰ জাৰি ফু মাৰি দিব লাগে।

**(ঠ) নাৰেঙা মন্ত্ৰ ঃ**

১। *'শ্ৰী শিৱায়ে নমঃ বিষ জাৰো বিষ পাওঁ, বিষ*
*আপুনি চলে, মাংসে চলে, হাড়ে চলে যদি*
*ফোহোৰা নাৰেঙ্গাঁ অন্য চিত কৰ; ব্ৰহ্মাৰ*
*চক্ৰত পৰি মৰ, লক্ষ্মণৰ মাথা ছেদ কৰে।*
*মোৰ হাক গুৰুৰ ডাক, যেই পোনে ৰাখো*
*সেই পোনে ৰই থাক। তই থাক ধৰণীত পৰি*
*মই আহো গুৰুসেৱা কৰি।'* [৮৪]

---

৮২ সংবাদদাত্ৰী দেৱী ধৰিত্ৰী, ৰজামায়ং (২৫)
৮৩ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোকসংস্কৃতি, পৃ. ৬১
৮৪ সংবাদদাতা, নাথ শচীন্দ্ৰ, ৰজামায়ং (৮০)

২। *'নাৰেঙ্গাঁ লাৰোঁ নাৰেঙ্গাঁ চৰে; নাৰেঙ্গাঁ*
*ফুৰে ঘৰে ঘৰে। সেই নাৰেঙ্গাঁ কৰে জাতি*
*কুল। কাক তই গৈলি জাতি হুল।। সেই*
*ধৰণীত তই থাক পৰি মই আহো গুৰুসেৱা কৰি।'* [৮৫]

বিভিন্ন দৰৰৰ সতে এই মন্ত্ৰ মাতি চিকিৎসা কৰিলে ৰোগ নিৰাময় হয় বুলি বিশ্বাস প্ৰচলিত আছে।

এই মন্ত্ৰসমূহৰ উপৰিও বিভিন্ন ৰোগ-ব্যাধিৰ বগৰী-গুটীয়াৰ মন্ত্ৰ, পেটৰ বিষ জৰা মন্ত্ৰ, চকুৰ কোট জৰামন্ত্ৰ, বাতবিষ, একাঙ্গী, চকুৰ মণি বগা পৰা, চকুৰে অনবৰত পানী ওলোৱা, ঘাঁ-ফোহা হোৱা, পেট ফুলা, অহজমী হোৱা, নাকেৰে তেজ ওলোৱা, বসন্ত ওলোৱা আদি বিভিন্ন মন্ত্ৰৰ সহায়ত অতি প্ৰাচীন কালৰপৰা বনৌষধিৰ জৰিয়তে ৰোগ-ব্যাধিৰ চিকিৎসা কৰা পদ্ধতিৰ অতি প্ৰাচীন কালৰপৰাই অসমত প্ৰচলন হৈ আহিছে।

**৪.১.৩.৩ জৰা ফুকা মন্ত্ৰ ঃ**

মায়ং অঞ্চলৰ বেজসকলে সাধাৰণতে (১) জৰাফুকা কৰি, (২) মালিচ দি (মন্ত্ৰ মাতি), (৩) ঔষধ প্ৰয়োগ কৰি, (৪) ৰচী, জাপ বা কবচ (তাবিজ) দি ৰোগ ভাল কৰিবলৈ যত্ন কৰা দেখা যায়।

কেতিয়াবা দেখা যায় কুমন্ত্ৰ প্ৰয়োগ কৰি ৰোগব্যাধি জাপি দিয়া হয়। কাৰোবাক ভূত, বীৰা আদি জাপি দিও অন্যায় কৰা হয়। অথবা কোনো ধৰণৰ কছকা খোৱা, আঘাতপ্ৰাপ্ত হ'লে জৰাফুকা কৰি মন্ত্ৰ মাতি আৰোগ্য কৰিবলৈ চেষ্টা কৰা হয়। এনে মন্ত্ৰ কিছুমান হৈছে—

**(ক) মুখলগা ভঙা মন্ত্ৰ ঃ**

*'শ্ৰীকৃষ্ণায়ে নমঃ কৃষ্ণাতে কাটিলাম আদা,*
*আদা হ'ল পাঁচখান খাই আদা নাখায়*

৮৫ সংবাদদাতা, নাথ শচীন্দ্ৰ, ৰজামায়ং (৮০)

*আচমান, এই আদা খাই মনুষ্যৰ শৰীল*

*জচি যায়।'*[৮৬]

**(খ) বিষনমা মন্ত্র ঃ**

*'বিষ মিলা ধলেৰ বিশ*

*যেনে যো না কয়*

*চুৰেৰ বংশ নিবংশ হয়।'*[৮৭]

**(গ) মছ্কা খোৰা মন্ত্র ঃ**

*'তনকা খোৰা মছ্কা খোৰা*

*ঘাট জাৰো বাত জাৰো... ।'*[৮৮]

**(ঘ) ঔষধ পোতা মন্ত্র ঃ** শত্ৰুক বধ কৰিবৰ উদ্দেশ্যে বিশেষ কিছুমান দ্ৰব্য মন্ত্র মাতি শত্ৰু থকা ঘৰৰ মজিয়াত, দুৱাৰডলিৰ কাষত পোতে। বিশ্বাস আছে যে এনে দ্ৰব্য পোতাৰ পিছৰ পৰা মানুহজনৰ এটাৰ পিছত এটাকৈ বেমাৰ লাগি ধৰে, ডাক্তৰ-কবিৰাজে ভাল কৰিব নোৱাৰে। এই ধৰণৰ বেমাৰ-আজাৰ জৰা-ফুকাৰদ্বাৰা ভাল কৰা হয়।[৮৯]

ইয়াৰ বাহিৰেও এৰাৰ মন্ত্র, নৰ সিংহ মন্ত্র দাঁত পোকৰ মন্ত্র; প্ৰসৱৰ মন্ত্র, চাউল জৰা মন্ত্র, জিভা বহাৰ মন্ত্র, শিৰাৰ মন্ত্র আদি বিভিন্ন ৰোগত জৰাফুকা কৰি মন্ত্র মতা হয়। জৰাফুকা কৰিবলৈ সাধাৰণতে বিহলঙনি জাতীয় গছ-বন, মিঠাতেল ইত্যাদি ব্যৱহৃত হয়।

**৪.১.৩.৪ দেও-ভূত সম্বন্ধীয় মন্ত্র ঃ**

মায়ং অঞ্চলত প্ৰাপ্ত মন্ত্রসমূহৰ ভিতৰত সবাতোকৈ বহল আৰু ব্যাপক হাৰত প্ৰয়োগ হোৱা মন্ত্ৰই হয়তো দেওভূত সম্বন্ধীয় মন্ত্র। চাৰিওফালে পাহাৰ, নদী, বিল, ঘন জংঘলে আবৰা অঞ্চলটো ভৌগোলিক কৰণতে জয়াল অঞ্চল। সেইবাবেই হয়তো দেওভূত-প্ৰেত, জীৱ-জন্তু আদিৰ প্ৰতি জন্মা ভয় আদি প্ৰতিকূল পৰিস্থিতিক আয়ত্তাধীন

৮৬ সংবাদদাতা, হাজৰিকা লোকেন্দ্ৰ, লোনমাটি (৫৫)
৮৭-৮৮ সংবাদদাত্ৰী, দেৱী ধৰিত্ৰী, ৰজামায়ং (২৫)
৮৯ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোক-সংস্কৃতি, পৃ. ৭০

কৰিবলৈ দেওভূত সম্বন্ধীয় মন্ত্ৰৰ উৎপত্তি। মন্ত্ৰসমূহ এনেধৰণৰ—

**(ক) ভূত পিশাচ খেদোৱা মন্ত্ৰ ঃ**

*'আদি বন্দো, অনাদি বন্দো। বন্দো ধৰ্মৰ পাৱ*
*ব্ৰহ্মা, বিষ্ণু সবাকে বন্দো। বন্দো নৰসিংহ বাপ।'* [৯০]

**(খ) দশোদিশ বন্ধা মন্ত্ৰ ঃ**

*'...পূৱে বান্ধো ভানু, ভাস্কৰ বান্ধো।*
*ঘৰ বান্ধো, দ্বাৰ বান্ধো, কালকূট নামে নাৰায়ণ*
*জননি নামে ৰাখিবাহা হৰি তোমাৰ দুখানি পাৱ।*
*ওঁং বীৰ ভদ্ৰ মহামুনি আকাশ পাতালে লাগে ধ্বনি।'* [৯১]

**(গ) কৰতি মন্ত্ৰ ঃ** মায়ং অঞ্চলত প্ৰাপ্ত মন্ত্ৰসমূহৰ ভিতৰত অন্যতম মন্ত্ৰ কৰতি মন্ত্ৰ। এই মন্ত্ৰসমূহ বিভিন্ন ভাগত বিভক্ত। সেইবোৰ এনেধৰণৰ ও কৰতি চক্ৰ কৰতি, বায়ু কৰতি, জল কৰতি, অগ্নি বা কাল কৰতি, মৎস্য কৰতি, গুৰু কৰতি, ব্ৰহ্ম কৰতি, ৰুদ্ৰ কৰতি, সুদৰ্শন চক্ৰ কৰতি, গৰ্ভ কৰতি, ৰাম মন্ত্ৰ বা হ্ৰাজৰা ইত্যাদি।

**১. গুৰুকৰতি মন্ত্ৰ ঃ**

*'একেশ্বৰে আছো মই আদি নিৰঞ্জন*
*সৃষ্টি নাহি আমাক নকৰে শোভন।*
*এই বুলি গোসাঞিৰ মন ভৈলা, নাচি*
*কমলত ব্ৰহ্মা ওপজাইলা...।'* [৯২]

**২. চক্ৰ কৰতি মন্ত্ৰ ঃ**

*'নমো চক্ৰবাণ উতপতি ভৈলা*
*ত্ৰিদশকোটি দেৱতাৰ মায়া সংহৰিৱে লৈলা।*
*চৌষষ্ঠি যোগিনীৰ বিষ, ডাকিনীৰ বিষ*
*খণ্ড কৰিলা...।'* [৯৩]

---

৯১-৯২ সংবাদদাতা, নাথ, শচীন্দ্ৰ, ৰজামায়ং (৮০)
৯৩ সংবাদদাতা, নাথ ওপৰ সিং, ৰজামায়ং (৭৫)

**৩. বায়ু কৰতি মন্ত্ৰ ঃ**

*'বায়ু জাৰোঁ, বায়ু ফুঙ্কো,*
*বায়ু কৰোঁ পানী। কালকূট কুমন্ত্ৰ বাণক*
*কাটি খণ্ড খণ্ড কৰোঁ।।... কালকূট*
*বায়ু জাৰো পানী উঠি পৰ...।'* [৯৪]

**৪. ব্ৰহ্ম কৰতি মন্ত্ৰ ঃ**

*'অনন্ত শয্যাত গোসাঞি*
*শুতিয়া আছিলন্ত। বাজ ভৈল চাৰিবেদ*
*নিশ্বাস কাঢ়ন্তে। অথৰ্ব্ববেদৰ অৰণ্য*
*কৰতি কহে। কৰতি মন্ত্ৰ জগতত বহে।'* [৯৫]

**৫. গুৰু কৰতি ঃ**

*'কেঁকোৰা গাঁতৰ আনিলো পানী*
*অমুকাৰ মন্ত্ৰমানে কাটি কুটি। বাণে*
*চক্ষু মেলো আৰু মেলে নাক, হাতে*
*মেলো হাত গাণ্ঠী সহস্ৰ শৰীৰ মেলো*
*মুকলি হৈ থাক...।'* [৯৬]

**৬. কৰতি মন্ত্ৰ ঃ**

*'ভোটৰ বাণগাঁঠি কাটো গাৰোৰ বাণ*
*গাঁঠি কাটো। নগাৰ বাণ গাঁঠি কাটো,*
*মিকিৰৰ বাণ গাঁঠি কাটো।। তিব্বতীৰ বাণ*
*গাঁঠি কাটো...।'* [৯৭]

**(ঘ) বান্ধনিমন্ত্ৰ ঃ** বেজে বান্ধনিমন্ত্ৰ মাতি ৰচী এডাল পকাই ৰোগীৰ ককাঁলত আঁৰি দিয়ে। তাৰ পিছত ৰোগীক মইনাগিৰি ধানৰ পৰা ফালি উলিওৱা চাউল খাবলৈ দিয়া হয়। এনে কৰিলে ৰোগীক কোনো অপদেৱতাই চুব নোৱাৰে। মন্ত্ৰটো এনেধৰণৰ—

৯৪-৯৭ সংবাদদাতা, নাথ ওপৰ সিং, ৰজামায়ং (৭৫)

*'নমো গণপতি নমো গণপতি গৌৰীসুত বান্ধিলো মই*
*আদি অদভূত। কচৰ মহিমা শুনি অনুপাম*
*যাৰ নাম দুৰ্গা মাই অমুকাৰ গা বান্ধিছো*
*মই, নাগ পাশে বন্দী হৈবি তই, মোৰ বচন*
*গুৰুৰ ডাক মই যিমতে বান্ধিছো অমুকাৰ গা*
*সেইমতে যত্ৰ হৈ থাক। এই বাক্য লৰিবি*
*চৰিবি, দুৰ্গা মাইৰ মাথা খাবি।'* [৯৮]

এই মন্ত্ৰসমূহত 'দুৰ্গা মাইৰ মাথা খাবি', 'কামৰূপৰ কামাখ্যা মাওৰ দোহাই' দিয়াটো মন কৰিবলগীয়া বৈশিষ্ট্য।

**৪.১.৩.৫ বশীকৰণ মন্ত্ৰ ঃ**

অতি প্ৰাচীন কালৰপৰা প্ৰচলিত বিভিন্ন মন্ত্ৰসমূহৰ ভিতৰত বশীকৰণ মন্ত্ৰ অন্যতম। মোহিনী মন্ত্ৰ বা বশীকৰণ মন্ত্ৰৰদ্বাৰা যে অসাধ্য সাধন কৰিব পাৰি সেই কথা বাণ ৰজাৰ জীয়ৰী ঊষাৰ সখী চিত্ৰলেখাই কৃষ্ণৰ নাতি অনিৰুদ্ধক বশীকৰণ মন্ত্ৰৰ দ্বাৰা বশীভূত কৰি আনি ঊষা আৰু অনিৰুদ্ধৰ মিলন ঘটাই দিছিল। বনবাসী, পাণ্ডৱৰ দ্বিতীয় পাণ্ডৱ ভীমৰ প্ৰতি মোহাচ্ছন্ন হৈ হিৰিম্বাই ভীমক কেনেকৈ বশ কৰিছিল সেইসমূহ কথা মহাকাব্যৰ পাতত জিলিকি আছে। এনেদৰে কোনোবা গাভৰুৰ প্ৰতি আকৰ্ষিত কোনো ডেকাই বশীকৰণ মন্ত্ৰৰ দ্বাৰা বশ কৰি সেই গাভৰুক লাভ কৰাৰ ঘটনা বহুত আছে বুলি লোকবিশ্বাস প্ৰচলিত হৈ আছে। এনে বশীকৰণ মন্ত্ৰৰে ৰজা-প্ৰজা আদি সকলোকে বশ কৰিব পাৰি বুলিও বিশ্বাস কৰা হয়। এই মন্ত্ৰক ৰাজমোহিনী মন্ত্ৰ বুলি কোৱা হয়। একশ্ৰেণীৰ মোহিনী মন্ত্ৰৰে আকৌ কোনো বিচাৰ আদি হ'লে সমাজত সকলোৰে মন মোহি নিজৰ ফলীয়া কৰি লোৱাৰ শক্তি আছে বুলি বিশ্বাস কৰা হয়। বশীকৰণ মন্ত্ৰৰে অন্তৰ্গত হৰণলুকী মন্ত্ৰৰদ্বাৰা চিত্ৰলেখাই অনিৰুদ্ধক দ্বাৰকাৰপৰা আনি শোণিতপুৰ পোৱাইছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰত এই হৰণলুকী মন্ত্ৰ আৰু ঔষধৰ ব্যৱহাৰৰ বিষয়ে বিস্তৃতভাৱে পোৱা যায়। মায়ং অঞ্চলত প্ৰাপ্ত এনে মন্ত্ৰৰ অন্যতম হৰণলুকী মন্ত্ৰ।

৯৮ সংবাদদাতা হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)

এই মন্ত্ৰৰ সহায়ত বন্য জীৱ-জন্তুৰ মাজেৰেও নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰি অথবা হাজাৰজন লোকৰ মাজত থাকিলেও তেওঁক কোনেও দেখা নাপায়। এই মন্ত্ৰসমূহ এনেধৰণৰ—

**(ক) ৰাজমোহিনী মন্ত্ৰ ঃ**

*'ওঁং স্থিতি চান্দালী ওঁং মহা চান্দালী*
*ওঁং হ্ৰূং খৃং ক্ষিতি বচ্চতি স্বাহা।'* [৯৯]

**(খ) মেল মোহিনী মন্ত্ৰ ঃ**

*'মোহিলো মোহিলো শালৰ হাতী*
*মাৰিলো শিলৰ খুঁটি মই মোহিলো মেলৰ...।'* [১০০]

**(গ) মোহিনী মন্ত্ৰ ঃ**

*'শ্ৰী কৃষ্ণায় নমঃ ধনন্তৰায় নমঃ।*
*কট্‌কট্ কটাৰী মত্ মত্ মুঠি*
*মই বস্ত্ৰ জাৰিলোঁ অমুকীৰ হিয়াত উঠি*
*ৰামে আনিলে পাণ, সীতাই আনিলে চূণ*
*লক্ষ্মণে আনিলে গুৱা, মই বস্ত্ৰ জাৰি দিছোঁ*
*হাত পাতি লোৱা। এই বাক্য লৰিব*
*চৰিব মহাদেৱ পাৰ্ব্বতীৰ মাথা কাটি ভোজন*
*কৰিব; সিদ্ধি গুৰুৰ পাৱ, ৰক্ষা কৰা কালিকা*
*কামাখ্যা ধনন্তৰী মাৱ।'* [১০১]

**(ঘ) ৰাজ মোহিনী মন্ত্ৰ (২) ঃ**

*'শ্ৰীকৃষ্ণায় নমঃ ধন্বন্তৰায় নমঃ*
*ভেলভেলেকী ভেলামুখী ভেলেকী লগালো*
*তোক কি চা মোক ভেলেকী লগালো*
*তোক। ৰাইজ মুহিলো দেও মুহিলো*

৯৯-১০০ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)
১০১ সংবাদদাতা, নাথ, শচীন্দ্ৰ, ৰজামায়ং, (৮০)

*সমাজ মুহিলো মই পূবে বান্ধো পশ্চিমে*

*বান্ধো উত্তৰে বান্ধে, দক্ষিণে বান্ধিলো মই*

*এই বাক্য লৰিব চৰিব মহাদেৱ পাৰ্ব্বতী*

*মাথা কাটি ভোজন কৰিব।*

*সিদ্ধি গুৰুৰ পাৱ, ৰক্ষা কৰা কালিকা*

*কামাখ্যা ধন্বন্তৰী মাৱ।'* [১০২]

**(ঙ) মোহিনী মন্ত্ৰ ঃ** 'মোহিনী মন্ত্ৰটোৰ লগত কেইবিধমান অনুপানৰ প্ৰয়োজন। অনুপানবোৰ হ'ল ফেঁচাৰ আগমঙহ, ভাল পোৱাবলৈ চেষ্টা কৰা মানুহজনৰ বুকুৰ তেজ, ভৰি তলুৱাৰ মাটি, মাটিৰ ভিতৰলৈ সোমোৱা বনৰ শিপা; নিলাজী বনৰ শিপা আৰু মজিয়াৰ মাটি। এই আটাইখিনি গোটাই মানুহজনক কৌশল কৰি খুৱাব লাগে। লগতে ফুল এপাহ জাৰি খোপাত বা মূৰত পিন্ধিব লাগে।[১০৩] জৰা মন্ত্ৰটো হ'ল—

*'ফুলৰ পুখুৰী ফুলৰ পাৰ*

*ফুল ফুলি আছে চমৎকাৰ*

*সেই ফুল অমুকাৰ মূৰত চৰে*

*অমুকাক দেখিলে অমুকাই*

*জপাৰ কাপোৰ হেন দেখে।'* [১০৪]

সেইদৰে জীৱ-জন্তুক মুহিব পৰা হাতী মোহিনী, বাঘ বুলোৱা মন্ত্ৰ আদি অন্যতম বশীকৰণ মন্ত্ৰ। হৰণলুকি বা লুকি মন্ত্ৰ প্ৰয়োগ কৰিলে মানুহ, জীৱ-জন্তু শত্ৰুৰ কোনেও মন্ত্ৰপূত ব্যক্তিক দেখা নাপায়।

**৪.১.৩.৬ দৈনন্দিন জীৱনৰ সৈতে জড়িত মন্ত্ৰ ঃ**

ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰৰ কিছুসংখ্যক দৈনন্দিন জীৱনৰ বিভিন্ন কাৰ্যৰ সৈতে জড়িত। প্ৰাত্যহিক জীৱনৰ প্ৰতিটো কাৰ্যৰ সৈতে মন্ত্ৰ উচ্চাৰণ কৰাৰ বিধি প্ৰাচীন কালৰে পৰা প্ৰচলিত আছিল। সেইবাবেই বৰ্তমান প্ৰাপ্ত মন্ত্ৰসমূহৰ ভিতৰতো দৈনন্দিন

---

১০২-১০৩ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোক সংস্কৃতি, পৃ. ৬২, ৬৩, ৬৪

১০৪ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)

জীৱনৰ কাৰ্য সুচাৰুৰূপে পালন কৰিবলৈ উচ্চাৰণ কৰা মন্ত্ৰ যথেষ্ট পৰিমাণে পোৱা গৈছে। এই মন্ত্ৰ সমূহৰো কুমন্ত্ৰ-সুমন্ত্ৰ দুটা ভাগত ভাগ কৰিব পাৰি। মন্ত্ৰসমূহ এনেধৰণৰ—

**(ক) উৰণ মন্ত্ৰ ঃ** হৰণলুকী মন্ত্ৰ সদৃশ আন একপ্ৰকাৰৰ মন্ত্ৰ হ'ল উৰণ মন্ত্ৰ। এই মন্ত্ৰৰ দ্বাৰা 'অষ্ট প্ৰহৰৰ পথ' এক প্ৰহৰত যাব পাৰি (কোনো যান-বাহনৰ সহায় নোলোৱাকৈ এই মন্ত্ৰই গতিশক্তি বঢ়ায়। অৱশ্যে পিছত যাওঁতাৰ ভাগৰ লাগে।[১০৫]

**(খ) পিঠাভঙা মন্ত্ৰ ঃ**

*'এঙনি বান্ধিলো, জেঙনি বান্ধিলো*
*বান্ধিলো গোহালীৰ গৰু। মাকক বান্ধি*
*জীয়েকক বান্ধিলো, বান্ধিলো পিঠাৰ চৰু।*
*পিঠাৰ লট পট খোলাৰ তপত।*
*পিঠা হৰ যদি মহাদেউৰ শপত।।*[১০৬]

**(গ) ভাত নিসিজা মন্ত্ৰ ঃ**

*'অৰুণৰ ঢেঁকী, বৰুণৰ থোৰা*
*অ ৰান্ধনি ঔ তই থাক ভাত ৰান্ধি মই আহো গাঁও ফুৰি।'*[১০৭]

**(ঘ) কাপোৰ কাটি কৰা মন্ত্ৰ ঃ**

*'শাল মেলিলো জাল মেলিলো।*
*মেলিলো বৰ ৰাচৰ গাঁঠি মাছৰ নাম ইনাৰি*
*মাছৰ নাম কিনাৰি গাৰজনে গাজে ব্ৰহ্মাৰ*
*চক্ৰত পৰি অমুকীৰ শাল বা মুকলি কৰি দে*
*শালত নামাৰিবি ঘাঁ হৰ পাৰ্ব্বতীৰ মাথা খা।'*[১০৮]

**(ঙ) মালশ্ৰম মন্ত্ৰ ঃ** এই মন্ত্ৰৰে এশজন মানুহক ঠেলি হেঁচি আগবাঢ়ি যাব পাৰি। এই উদ্দেশ্যে বেজে এখন গামোচা মন্ত্ৰপূত কৰি কেমেৰাত গাঁথি লয় আৰু লগতে কাণৰ লতিৰ সমান ওখ লাঠী এডাল হাতত লয়। উল্লেখযোগ্য যে গামোচাখন শিপিনীয়ে

---

১০৫-১০৭ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)
১০৮ সংবাদদাতা, ডেকা, গুণেশ্বৰ, ঘগুৱা (৫০)

উপবাসে থাকি একেদিনৰ ভিতৰতে বৈ-কাটি উলিয়াব লাগিব। শিপিনীয়ে গামোচাখন পোনে পোনে বেজৰ হাতত দিব আনে চুব নোৱাৰে।

**(চ) খেলৰ মন্ত্ৰ ঃ** এই মন্ত্ৰৰ সহায়ত খেলত জয়লাভ কৰিব পাৰি।[১০৯]

**(ছ) নিদ্ৰাবাণ ঃ** এনে মন্ত্ৰৰে মানুহক টোপনিত বহু সময় লৈকে অচেতন কৰি ৰাখিব পাৰি। অৱশ্যে ই কুমন্ত্ৰ নহয়।[১১০]

**(জ) চকী-পীৰা লাগি ধৰা মন্ত্ৰ ঃ** এনে মন্ত্ৰৰ প্ৰভাৱত মানুহে চকী বা পীৰাত বহিলে তাৰপৰা উঠিব নোৱাৰে কাৰণ চকী বা পীৰাখন গাত লাগি ধৰে। মানুহজন উঠাৰ লগে লগে চকী পীৰাও উঠি আহে। অৱশ্যে অন্য মন্ত্ৰৰে এই মন্ত্ৰৰ শক্তি খণ্ডন কৰাৰ ব্যৱস্থা আছে।[১১১]

**(ঝ) ছোৱালী পলুৱাই নিয়ামন্ত্ৰ ঃ** ল'ৰা বা ল'ৰা পক্ষৰ মানুহে অনিচ্ছাকৃত ছোৱালীক পলুৱাই নিবলৈ এই মন্ত্ৰ ব্যৱহাৰ কৰে।[১১২]

**(ঞ) বিয়াঘৰত নচা মন্ত্ৰ ঃ** দৰাঘৰে যদি এঠাইত চোৱা ছোৱালী এৰি আন এঠাইৰ ছোৱালী বিয়া কৰাবলৈ আহে তেন্তে প্ৰথম ছোৱালীঘৰে বা শত্ৰু পক্ষই মন্ত্ৰৰ সহায়ত ছোৱালীৰ বিয়াঘৰত দৰা, কইনা আৰু উপস্থিত সমজুৱাক নচুৱাই হহাঁ-কন্দাৰ সৃষ্টি কৰে। আন বেজৰ হতুৱাই এনে পৰিস্থিতিৰ পৰা পিছত উদ্ধাৰ কৰা হয়।[১১৩]

**(ট) দৰা ঘৰৰ শৌচ লগা মন্ত্ৰ ঃ** এই মন্ত্ৰৰে শত্ৰুপক্ষই দৰাক বিয়াত বহাসময়ত শৌচ লগাই দিয়ে। ঘুমৰু নামৰ (বাঙী ফলৰ দৰে) ফল এটি মন্ত্ৰপূত কৰি টিপি দিলে তাৰ পৰা গুটি ওলোৱাৰ লগে লগে দৰাৰ পেট কামোৰে আৰু অলপমান গোলনেমুৰ সমান শৌচ ওলায়।[১১৪]

**(ঠ) ঠুংৰী বাণ ঃ** ইও একপ্ৰকাৰে কুমন্ত্ৰ। এই মন্ত্ৰ প্ৰয়োগ কৰিলে মানুহৰ পেটত হনা-খোচা কৰে।[১১৫]

---

১০৯-১১৩ শৰ্মা, হেমন্ত কুমাৰ মায়ং অঞ্চলৰ লোক সংস্কৃতি, পৃ. ৬৯, ৭০
১১৪-১১৫ সংবাদদাতা, নাথ, শচীন্দ্ৰ, ৰজামায়ং (৮০)

**৪.১.৩.৭ কৃষিৰ সৈতে জড়িত মন্ত্ৰ ঃ**

মায়ং কৃষিপ্ৰধান ঠাই। অঞ্চলটোৰ কৃষকে প্ৰায় সকলো ধৰণৰ কৃষি কাৰ্যত জড়িত হয়। এই কৃষি কাৰ্য বিভিন্ন পোক-পৰুৱা, জীৱ-জন্তু, চৰাই-চিৰিকতি আদিৰপৰা ৰক্ষা কৰিবলৈ বিভিন্ন উপায় অৱলম্বন কৰা হয়। ইয়াৰ ভিতৰত মন্ত্ৰও একপ্ৰকাৰ। বেজে খেতিসমূহ তেনে বৈৰীৰ পৰা ৰক্ষা কৰিবলৈ নিজৰ মাটিডৰাৰ চৌহদটো মন্ত্ৰৰ দ্বাৰা বান্ধি পেলায়। মন্ত্ৰসমূহ এনেধৰণৰ—

**(ক) গান্ধিয়ে ডকা মন্ত্ৰ ঃ** গান্ধি আদিয়ে ধান নষ্ট কৰিলে পাঁচডাল ইকৰাত মন্ত্ৰ পুত কৰি ধান ডৰাৰ মাজত এডাল আৰু চাৰিডাল ইকৰা পাত (নিৰ্দিষ্ট নিয়মেৰে) থৈ আহিলেই গান্ধিয়ে ধান খাবলৈ এৰে। এনেকি মাটি ডৰাৰ পৰা গান্ধিসমূহ আঁতৰি পলায় যায়। মন্ত্ৰটো এনেধৰণৰ—

*'হাত গুৰু বাত গুৰু শিক্ষা গুৰু কৰো নমস্কাৰ*
*গান্ধি গান্ধি গান্ধি তৰাপাতৰ গান্ধি*
*বিৰিণাপাতৰ চাই চাই গান্ধিৰ কতি নাই*
*মোৰ হাক গুৰুৰ বাক্য যোনফালে গান্ধিয়ে*
*ডকা জাৰো পানী উঠি পৰ।*
*এই বাক্যৰ লৰচৰ হয় যদি*
*মহাদেৱ পাৰ্বতীৰ চক্ৰত পৰি মৰ।'* [১১৬]

**(খ) খেতি সিঁচা মন্ত্ৰ ঃ** হে সব, নিজৰ শক্তিৰেই অংকুৰিত হৈ উপচি পৰা সকলোবোৰ পাত্ৰকে পৰিপূৰ্ণ কৰা আকাশৰ ব্ৰজই যেন তোমাক ধ্বংস কৰিব নোৱাৰে।[১১৭]

**৪.১.৩.৮ জীৱজন্তুৰ সৈতে জড়িত মন্ত্ৰ ঃ**

বিভিন্ন প্ৰকাৰৰ জীৱজন্তুৰ ৰক্ষাৰ অৰ্থে, কৃষিক জীৱজন্তু চৰাই-চৰিকতি, পোপ-পৰুৱাৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ বা বিভিন্ন প্ৰকাৰে জীৱজন্তুৰ সৈতে সম্পৰ্কিত মন্ত্ৰ

---

১১৬ সংবাদদাত্ৰী, দেৱী ধৰিত্ৰী, ৰজামায়ং (২৫)
১১৭ অথৰ্ব বেদ, ৬/১৪২

কিছুমান অঞ্চলটোত প্ৰাপ্ত হৈছে। এনে মন্ত্ৰসমূহৰ ভিতৰত গৰুৰ পোক গুচুৱা, বাঘ বলোৱা, বাঘ জালত ধৰা শিঙিমাছে বিন্ধা, বিছাৰ শুং ওলোৱা, গৰুৰ ভেকোলা জৰা, হাতীক মোহিত কৰা ইত্যাদি মন্ত্ৰ উল্লেখযোগ্য।

**(ক) বাঘ বলোৱা মন্ত্ৰ ঃ** এই মন্ত্ৰ সম্পৰ্কে মায়ং অঞ্চলত বহুপ্ৰবাদ প্ৰচলিত হৈ আছে। এই অঞ্চলতেই ৰজামায়ং গাঁৱৰ চুৰাবেজ (মুহীৰাম নাথ) নামৰ এজন লোকে বনৰ ঢেকীয়া পতীয়া বাঘক জালত ধৰি আনি পানী খুওৱা কথা প্ৰচলিত হৈ আছে। এই বনৰ ৰজা বাঘকো বশ কৰিবলৈ সক্ষম হৈছিল মন্ত্ৰ শক্তিৰে। আনকি প্ৰবাদ আছে যে বাঘ মাৰিবৰ সময়ত এঠাইৰ পৰা আন এঠাইলৈ বাঘ বলোৱা মন্ত্ৰৰ জৰিয়তে বোলাই নিব পাৰিছিল। মন্ত্ৰটি হৈছে—

*‘শ্ৰী কৃষ্ণায়ে নমঃ ধনন্তৰীয়ে নমঃ*
*হুংকাৰে আছোক সেমেকাৰ ধূলি।।*
*দুয়োকোজাৰি নিদান কৰিলো*
*বাঘ যায় বনোবাৰ যোন ফালে মাতেং।।*
*সেইফালে আহ। এই মন্ত্ৰ শুনি আই শ্ৰী হৰিৰ*
** আদিকাৰৰ মন্ত্ৰ শুনি আহিবি।* অনিকাৰৰ*
*নাহ যদি আই দেৱীৰ মাথা খাবি।।*
*মোৰ হাক গুৰুৰ ডাক যৈতে থাকে কেচুমতাৰ মাটি*
*তৈতে বন্ধ হৈ থাক এই মন্ত্ৰ লৰিবি চৰিবি*
*আইদেৱীৰ মাথাখাবি।।’*[১১৮]

**(খ) ভেকোলা মন্ত্ৰ ঃ** জীৱ জন্তুৰ ৰোগৰ ভিতৰত গৰুৰ ভেকোলা ৰোগৰ চিকিৎসা কৰা মন্ত্ৰটি এনেধৰণৰ ঃ

*‘শ্ৰী কৃষ্ণায়ে নমঃ ভকলা জাৰো, ভকলী*
*জাৰো মাকক জাৰো জীয়েকক জাৰো জাৰো*
*গোহালীৰ গৰু, কি কি ভকলাৰ কি কি নাও*

১১৮ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাঠি (৫৫)

*নেথনি ডকলা জাৰো তেতলী ভকলা জাৰো*
*গেহনি ভকলা জাৰো...। চৌষষ্ঠি ভকলা*
*জাৰি পানীকৃত কৰি মাৰো। এই বাক্য লৰাচৰা*
*মহাদেউৰ চক্ৰত পৰি মৰা।'*[১১৯]

(গ) **শিঙিমাছে বিন্ধা ঃ** মাছ মাৰি থাকোঁতে শিঙি মাছে বিন্ধিলে লগে লগে তাৰ বিষৰপৰা উপশম পাবলৈ ক্ষত স্থানত টিপা মাৰি ধৰি একে উশাহতে এই মন্ত্ৰটি উচ্চাৰণ কৰা হয়—

*'শিঙিমুৰী নিমুৰী নলৰ তলত ঘৰ*
*পৰপুত্ৰ বিন্ধি তই ক'লৈ মাৰ লৰ।।*
*হৰ বিষ হৰ অমুকাৰ বিষ ব্যাধি পানী উঠি পৰ।।'*[১২০]

**(ঘ) বাঘ বন্ধা মন্ত্ৰ ঃ**

*'শ্ৰী শ্ৰী কৃষ্ণায়ে নমঃ গুৰু ধনন্তৰিয়ে নমঃ*
*আকাশৰ পৰা আহিলা আকাশৰ কামিনী, চন্দ্ৰ*
*বান্ধোঁ সূৰ্য বান্ধো বান্ধিলো আকাশৰ তৰা*
*মধ্যত বান্ধোঁ চৌত্ৰিশ হাজাৰ দুৱাৰ, মধ্যত*
*ব্ৰহ্মা হৈবা সাক্ষী পাতালে অনন্ত আদি কাশ্যপ*
*চাৰিখুঁটি, পৃথিৱীৰ চাৰি কোণা ধৰণীৰ হৈবা*
*সাক্ষী, সিদ্ধ গুৰুৰ পাৰ, সিদ্ধ কৰা কালিকা*
*গোসানী মাও। এই বাক্য লৰিবি চৰিবি মহাদেও*
*পাৰ্ব্বতীৰ মাথা খাবি।।'*[১২১]

**(ঙ) আহুশালি মন্ত্ৰ ঃ**

পোক-পৰুৱাই কামুৰিলে আহু শালি মন্ত্ৰ মাতি ৰোগীক জৰিব লাগে। আহুশালি মন্ত্ৰত শিৱ পদ্মাৰ অবৈধ সম্পৰ্কৰ কথা আছে।[১২২]

---

১১৯-১২০ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাঠি (৫৫)
১২১ নাথ, কমলচন্দ্ৰ ঃ মায়ঙত মন্ত্ৰ সংস্কৃতিৰ সাধন, পৃ. ৩০-৩১
১২২ শৰ্মা, হেমন্ত কুমাৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬০

**(চ) হাতী মোহিনী মন্ত্র ঃ** মায়ঙত মানুহৰ উপৰি হাতীক মুহিব পৰা মন্ত্ৰ আছে। এই মন্ত্ৰৰদ্বাৰা তেল সেন্দুৰ জাৰি হাতীক দহোটা ফোঁট দিব আৰু মাউতে এটা ফোঁট লয়। এনে কৰিলে জয়ী হয় বুলি বিশ্বাস কৰা হয়।

*'মোহিনী মোহিনী ৰাজ মোহিনী*
*ৰজা গৈছে প্ৰজা মুহিবা আমি মুহিবলৈ যাওঁ*
*ৰজাক মুহিলো, প্ৰজাক মুহিলো, মুহিলো*
*শালৰ হাতী; পৰ্বতৰ তৰুতৃণ মুহিলো,*
*ৰজাৰ দক-দুৱাৰত বৰি। এক মুঠি সৰিষা*
*দুই মুঠি লাই। সেই সৰিষা পেৰিবা*
*কামপুৰক খাই। কামপুৰৰ তেৰখিনি বাৰে*
*চিকিমিকি মুখে ল'লৈ মুখেজলে হাতে*
*ললে হাতে জলে হৰ বিষ্টু হৰ, হাবিৰ*
*বনুৱা হাতী খেদা মাৰি ধৰ। এই বাক্য লৰিবি*
*লৰিবি চৰিবি, দেৱী দুৰ্গা মায়ৰ মাথা খাবি।।'*[১২৩]

জীৱ জন্তুক লৈ এনেধৰণৰ অলেখ মন্ত্ৰ অঞ্চলটোত সিচঁৰতি হৈ থকা দেখিবলৈ পোৱা যায়। মানুহ তথা জীৱজন্তুৰ জীৱন সুৰক্ষাৰ বাবে এই মন্ত্ৰসমূহ বিভিন্ন বনৌষধি আদিৰ সতে দি বেজে উচ্চাৰণ কৰা দেখা যায়।

**৪.১.৩.৯ ধৰণী মন্ত্ৰ বা সৰ্পৰ মন্ত্ৰ ঃ**

বিভিন্ন মন্ত্ৰৰ ভিতৰত অঞ্চলটোত প্ৰাপ্ত অন্যতম মন্ত্ৰ হৈছে সৰ্পৰ মন্ত্ৰ। এই মন্ত্ৰসমূহ অঞ্চলটোত ব্যাপক ৰূপত প্ৰচলিত হৈ আছে। সৰ্প দংশন হ'লে ডাক্তৰী চিকিৎসাতকৈয়ো প্ৰথমেই বেজৰ ওচৰলৈ অনা হয়। কেৱল এই অঞ্চলৰে নহয় বিভিন্ন ঠাইৰপৰা বেজলৈ আমন্ত্ৰণ আহে যাতে বেজে আসুৰিক চিকিৎসা কৰি আৰোগ্য কৰিব পাৰে। এই সৰ্পৰ মন্ত্ৰ বহুত অঞ্চলটোত প্ৰচলিত হৈ আছে আৰু বহুকেইজন সৰ্পৰ দংশনৰ বেজে এতিয়াও চলাই আছে। কেইজনমান বেজৰ বৃত্তি হিচাপেই ইয়াক গ্ৰহণ কৰি আহিছে যদিও কেইজনমানে

১২৩ সংবাদদাতা, নাথ, শচীন্দ্ৰ, ৰজামায়ং (৮০)

আন কৰ্মৰ লগতে ইয়াৰ 'পবিত্ৰ ধৰ্ম' হিচাপে গ্ৰহণ কৰি কাম চলাই আহিছে। সৰ্পৰ মূল মন্ত্ৰপুথিসমূহৰ বহুত মন্ত্ৰ পুথি বিশুদ্ধ ৰূপত ৰখাৰ অভাৱত নষ্ট কৰি পেলোৱা হৈছে অথবা পানীত উটুৱাই দিয়া হৈছে। তথাপিও যিখিনিৰ প্ৰচলন আছে সেয়াৰেই বিভিন্ন অঞ্চললৈ নিমন্ত্ৰণ কৰে আৰু বেজালি কৰে। সাপৰ মন্ত্ৰসমূহক ৬টা ভাগত ভাগ কৰা হৈছে অৰ্থাৎ ছয়ধৰণৰ কাৰ্য কৰা হয় এই মন্ত্ৰ পাঠ কৰোঁতে। সেইবোৰ হৈছে— ১। বান্ধনী মন্ত্ৰ, ২। বিষ নমোৱা মন্ত্ৰ, ৩। বিষ পৰীক্ষা কৰা মন্ত্ৰ, ৪। বিষ পানী কৰা মন্ত্ৰ, ৫। পিঠিত থালি লগোৱা মন্ত্ৰ, ৬। হাত চলোৱা মন্ত্ৰ

মন্ত্ৰ এক আপুৰুগীয়া সম্পদ সেয়ে ইয়াক সৰ্বতোপ্ৰকাৰে ৰক্ষণাবেক্ষণৰ দৰকাৰ। প্ৰসাৰ বৃদ্ধিয়ে ইয়াৰ গুণ নোহোৱা কৰিব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে যাৰ বাবে মন্ত্ৰ আনক দিয়া নিষেধ। অৱশ্যে পুৰুষাণুক্ৰমে নিজৰ পৈত্ৰিক সম্পত্তিৰ দৰে দান কৰিবলৈ সাজু। সম্ভৱতঃ পুৰুষাণুক্ৰমে চলি অহাৰ বাবেই বৰ্তমান এতিয়ালৈ প্ৰাপ্ত মন্ত্ৰসমূহ হেৰাই নগৈ কমকৈ হ'লেও বৰ্ত্তি আছে। অসমৰ বিভিন্ন ঠাইৰপৰা এই অঞ্চললৈ সৰ্পৰ বেজ বিচাৰি এতিয়াও মানুহৰ আগমন হৈ আছে। মন্ত্ৰ সদায় আলকতৰাৰে লিখিব লাগে আৰু মন্ত্ৰ যেতিয়া গুৰুৱে উপদেশ দিব তেতিয়া শুদ্ধ অন্তৰেৰে আলকতৰাৰে লিখি নিব লাগে।

আনহাতে এই মন্ত্ৰসমূহ ৰক্ষাৰ বাবে বেজে কিছুমান নিয়ম নীতি ৰক্ষা বা পালন কৰিব লগা হয়। বেজে তিনিটা বস্তু পালন কৰে—

১। জাগৰণ ঃ তিথিতেই হওঁক বা বাৰতেই হওঁক মনসা পূজা কৰে। মালভোগ কল, চেনি, গাখীৰ আদিৰে ভোগ অকলে মন্ত্ৰ মাতি জাগৰণ কৰে অৰ্থাৎ হাবিৰ মাজত গৈ মন্ত্ৰ উচ্চাৰণ কৰে।

২। বিশ্বাস কৰা হয় যে বাণ যিয়েই নহওঁক সকলোবোৰ বাণ নাশ কৰাৰ ক্ষমতা আছে সুদৰ্শন চক্ৰৰ। সেয়ে বিষ্ণু পূজা পালন কৰে। ঘৰৰ যিমান অপায় অমঙ্গল অশান্তি হয় বিষ্ণুপূজা এভাগ কৰিলে নাশ হয় বুলি বিশ্বাস কৰে।

৩। সত্য নাৰায়ণ পূজাৰ পাচালী এখন পঢ়ে। এই পূজাসমূহ সৰ্প মন্ত্ৰৰ ৰক্ষা কৱচ বুলি বিশ্বাস কৰা হয়।

বেজ এজনে আনক বচাবলৈ চিকিৎসা কৰিবলৈ যাওঁতে নিজৰ নিৰাপত্তাৰ বাবেও শৰীৰ বান্ধি লয়। দুইধৰণৰ নিৰাপত্তা দিয়ে বুলি বিশ্বাস। প্ৰথমে আনৰ ব্যাধি বেজলৈ নাহে। দ্বিতীয়তে বেজক বিশ্বাস নকৰা কোনোৱে যাতে বেজৰ অপকাৰ কৰিব নোৱাৰে। এই সকলোবোৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। তথাপিও যুগ যুগ ধৰি বেজসকলে ইয়াক 'পৱিত্ৰ কাৰ্য' জ্ঞান কৰি নিয়ম নীতিসমূহ পালন কৰি আহিছে।

**আচল বন্ধা মন্ত্ৰ ঃ** বেজে সৰ্প দংশনৰ খবৰটো পোৱাৰ লগে লগে দংশন কৰোঁতাৰ নামটো কৈ আঁচল বান্ধি দিলে বিষ আৰু উধায় নাযায় বুলি বিশ্বাস।[১২৪]

**মন্ত্ৰ ঃ**

*'সিপাৰে ধোৱাৰ জী কাপোৰ বাছে পদ্ম*
*গাঁওত বিষ জাৰে বিষ বিষ কালকূট*
*গৰলৰ বিষ হেন্ত চাৰিয়া উজান যায়*
*মহাদেৱৰ মাথা যায়।'*[১২৫]

**১। বান্ধনী মন্ত্ৰ ঃ** সাপে কামুৰিলে প্ৰথমে বেজজনে গৈয়ে পিঠি হাত ভৰি বান্ধি মুখৰপৰা থু মাৰি মন্ত্ৰ জাৰি কামোৰাৰ চাৰিওফালে এডাল ৰেখা আঁকি দিয়া হয় আৰু তাৰ পিছত এই মন্ত্ৰ গোৱা হয় ঃ

*'ভুৰি ভুৰি অমৃত ভুৰি...*
*এই ভুৰি যদি চৰিয়া জাতি চাৰি*
*উজান যা...'*[১২৬]

'বেজে বান্ধনী মন্ত্ৰ মাতি ৰচী এডাল পকাই ৰোগীৰ কঁকালত আঁৰি দিয়ে। তাৰপিছত ৰোগীক মইনাগিৰি ধানৰপৰা ফালি উলিওৱা চাউল খাবলৈ দিয়া হয়। এনে কৰিলে ৰোগীক কোনো অপদেৱতাই চুব নোৱাৰে। 'সৰ্প দেৱতা'ক কাবৌ কোকালি নকৰি গালি পাৰি বিষ আঁতৰাবলৈ চেষ্টা কৰা হয়। মন্ত্ৰটি এনেধৰণৰ ঃ

*'নমো গণগতি নমো গণপতি গৌৰীসুত বান্ধিলো মই*

১২৪-১২৬ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৬)

*আদি অদ্ভুত।... অমুকাৰ গা বান্ধিছো মই*

*নাগ পাশে বন্দী হৈবি তই।...'*[১২৭]


গণেশ গৌৰী-সুতক প্ৰাৰ্থনা কৰা হয় প্ৰথমে। তাৰপিছত বান্ধনি দিয়া হয়।

২। **বিষ নমোৰা মন্ত্ৰ ঃ** এখন মৰুৱা গামোচা বিষ নমাবলৈ ব্যৱহাৰ কৰা হয়। বিষ কিমানলৈ নামিল মেৰ লৈ থকা সাপ নে আন কিবা। বিষ যদি নানামে তেতিয়া ভিন্ন মন্ত্ৰ। যদি গাঁতত সোমাই থাকে তেতিয়া বিষ নানামে। আগতে খলিৰ পৰা উলিয়াই ল'ব লাগিব। কেতিয়াবা ভৰিৰ পৰা নানামে বা গাঁঠিৰ পৰা তেতিয়া গাঁঠিৰ পৰা তেতিয়া গাঁঠিৰ পৰা নমোৰা মন্ত্ৰ মাতিব লাগে। লগতে বেজে এটা চিহ্ন মাটিত অংকন কৰে আৰু মন্ত্ৰ মাতি জোৰকৈ মাটিত মাৰি দিব লাগে। চিহ্নটো এনে বিষ নমোৰা মন্ত্ৰটো এনে ঃ

*'একটা বঁসেৰ কাসি সেই*

*বাঁসেৰ আগ নাক ধৰি ধৰি*

*বজায় বাঁহী...'*



বেজে মাটিত অংকন কৰা চিহ্ন [১২৮]

বিষ নমোৰা মন্ত্ৰ বহু প্ৰকাৰৰ আছে— (ক) বিষাৰী মন্ত্ৰ, (খ) মাটিৰ চাবুক, (গ) গাঁঠিৰ পৰা নমোৰা বিষ, (ঘ) মেৰ ভাঙা, (ঙ) খলি ভঙা, (চ) বিষ নমোৰা কড়ি চালান, সমুদ্ৰ মন্থন, (ছ) বৈৰাৰী মন্ত্ৰ আদিয়ে প্ৰধান। [১২৯]

১২৭-১২৯ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৫)

**৩। বিষ পৰীক্ষা মন্ত্ৰ ঃ** কি সাপে কামুৰিছে কামোৰৰ ক্ষত লক্ষণ দেখিলে গম পোৱা যায়। দাঁতৰ চিন বেজে বুজি পায়। ঢোৰা সাপৰ নে ফেঁটী সাপৰ বা অন্যান্য বিষাক্ত সাপে কামুৰিলে মাত্ৰ দুটা দাঁত বহে। জাৰি দিলে বিন্ধাইদি বাহিৰ হৈ যায়। লক্ষণ তিনিটা হৈছে ঃ

১। ক'লা বৰণ

২। শেঁতা হৈ যায় কেতিয়াবা মুগী, মাইকী ফেঁটী আদিয়ে কামুৰিলে

৩। দেহাটো টান হৈ যায়। ছাল মাৰলীয়ে কামুৰিলে মন্ত্ৰপুতঃ জলকীয়া দি চোৱা যায়। প্ৰাকৃতিক চিকিৎসা হিচাপে ইয়াক মনা হয়। বিষ থাকিলে জলা নাপায়।[১৩০] মন্ত্ৰটো হ'ল—

*'চাবুৰ চাবুক মাটিক চাবুক*
*এই চাবুক মাৰি লাম এই ৰুগীৰ গায়...*
*চল চল বিষ উজান থাকি জাটি দিকে চল*
*যদি বিষ নচলে দোহাই লাগে*
*মা পদ্মাৰ মূৰ চিণ্ডি মাটিত পৰ।'*[১৩১]

মন্ত্ৰটিত চাবুক মাৰি বিষ আঁতৰোৱাৰ চেষ্টা কৰা হৈছে। যদি তথাপি কামত নাহে তেন্তে মা পদ্মাক কঠোৰ ভাষাৰে গালি পৰা হৈছে।

**৪। বিষ পানী কৰা মন্ত্ৰ ঃ** বিষ নাইকিয়া হৈ অহাৰ লগে লগে জাৰোতে জলকীয়াও জ্বলা পায় আহিব। অৰ্থাৎ যি অৱস্থালৈ বিষ থাকে তেতিয়ালৈ একো স্বাদ নাপায়। যি মুহূৰ্ততে বিষৰ জ্বাল কাটে সেই মুহূৰ্ততে মুখৰ স্বাদ ঘূৰি আহে।

পিঠিত ঠালি লগোৱা বা হাত চলোৱা মন্ত্ৰ প্ৰায় একে। বাতি চলোৱা মন্ত্ৰ হৈছে ঃ

*'কৰাত কৰাত মহা কৰাত আইতে কাটে*
*যাইতে কাটে সাত সমুদ্ৰৰ পুঞ্জুৰ কাটে*
*অমাৱশ্যা মঙলবাৰে চুল চুল হাত*
*যে খানে বিষ আছে সেইখানে চল*

---

১৩০-১৩১ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৫)

*যদি হাত নচলে দোহাই লাগে*

*মা পদ্মাৰ শপত।'*[১৩২]

**৫। খলি ভঙা মন্ত্র ঃ** মেৰ লৈ থকা সাপ। প্ৰবাদ আছে যদি কামোৰা মানুহজনৰ বিষ নানামে সেই খলিত থকা সাপৰ খলি ভাঙিবলৈ মন্ত্র মতা হয় সেয়ে খলি ভঙা মন্ত্র। মন্ত্রটো এনে ঃ

*'খলি খলি মহাখলি এই খলি মাৰিলো*

*এই ৰোগীৰ গাত এই খলি ভাঙি যদি*

*বিষ যদি জটিৰ পৰা উজান যায়...*

*নেতা ধুবুনীৰ মুণ্ড চিঙি মাটিত পৰে।'*[১৩৩]

খলি ভঙা মন্ত্রটিততো কঠোৰ ভাষাৰে গালি পাৰি নেতাই ধুবুনীৰ মুণ্ড চিঙি মাটিত পৰিব বুলি সকিয়নি দিয়া হৈছে।

যদি এই একোৰে কামত নাহে তেন্তে এটা শেষ চিকিৎসা আছে। ঠাই টুকুৰা আবুৰত ৰাখি গোটেই মানুহজন (বেজ) উলংগ হৈ অশ্লীল শব্দৰে গালি গালাজ পাৰিবলৈ ধৰে।

**মন্ত্র ঃ**

*'শুন শুন পদ্মাৰ পতি মাগো অধ্য কথা জানি*

*ৰূপে যাৰ সৈতে কৰে তনা তনি, যদি বিষ*

*নানামে তেন্তে তোমালোকে কৰা তনাতনি*

*(অশ্লীল শব্দ...)'*ইত্যাদি।[১৩৪]

মন্ত্রসমূহ কেৱল শব্দৰ সংমিশ্ৰণ। ই সম্পূৰ্ণ ৰূপে ধৰ্ম নিৰপেক্ষ কিয়নো ঈশ্বৰ, বিষ্ণুৰ পৰা আল্লালৈকে সকলো ঈশ্বৰৰ উল্লেখ মন্ত্রত পোৱা যায়। যিহেতু মুখ বাগৰি আহি আজিৰ ৰূপ পাইছেহি কালক্ৰমত বিভিন্ন শব্দৰ আগমন ঘটিছে।

১৩২-১৩৪ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৫)

**বান্ধনী দেৱতা ভূত ঃ**

*'শ্ৰীকৃষ্ণাই নমঃ*

*আস্মান কৰে থক্থক্, জীমান হৈল চক্*

*কোনো মধ্যে মহলী বেৰৰ কুজ্ঞান কুমন্ত*

*ভূত প্ৰেত ডাইনী যোগীনী আল্লাৰ হুকুম*

*তফাত থাক্।'*[১৩৫]

এই মন্ত্ৰসমূহ কেৱল শব্দৰ সংমিশ্ৰণ। ইটোৰ লগত সিটোৰ মিল নাই। কিন্তু ক'ব পাৰি যে মন্ত্ৰ মাতোতে যিধৰণৰ খৰকৈ কৰা উচ্চাৰণ, সন্মোহন, কাৰ্য অৰ্থাৎ লগত কৰা কৰ্ম-কাণ্ড আদিয়ে বিপদত পৰা ব্যক্তিৰ মনত ধনাত্মক ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰে যাৰ ফলত সৰ্প মন্ত্ৰই যুগ যুগ ধৰি মানুহৰ মনত বিশ্বাস জন্মায় আৰু আৰোগ্য কৰি আনে বুলি ধাৰণা হয়।

সৰ্পৰ মন্ত্ৰসমূহ লক্ষ্য কৰিলে এই কথা স্পষ্ট হয় যে কাবৌ-কোকালি কৰাৰ পৰিবৰ্তে ধমক বা ধমকিৰে আৰোগ্য কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ মূলতে হয়তো সাপে কামুৰিলে মানুহে হিতাহিত জ্ঞান হেৰুৱাই পেলায়। কিন্তু সম্বিৎ ঘূৰাই আনিব পাৰে গালি গালাজ সেয়ে হয়তো এনে কৰা হয় বুলি ধাৰণা কৰিব পাৰি।

**বেজৰ নৈতিকতা ঃ** এই আলোচনাৰ পৰা দেখা যায় যে বেজসকলে এটা নিৰ্দ্দিষ্ট সীমাৰ ভিতৰতহে কাৰ্যবোৰ কৰে। সীমাৰ বাহিৰলৈ পৰাপক্ষত নাযায়। তাৰোপৰি গৃহ কন্দলৰ বাবে যিবোৰ আহে সেইসকলৰ পক্ষত মন্ত্ৰৰ চোক কমাই দিয়ে। উলংগ হৈ মন্ত্ৰ মতাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা মানি চলে। বশীকৰণ, আকৰ্যণ ইত্যাদিৰ ক্ষেত্ৰতো যিটো ন্যায় বুলি ভাবিছে সেইটোৰ পক্ষ লয়। পৰাপক্ষত নৈতিকতা বজাই ৰাখিবলৈকে চেষ্টা কৰে।

**৪.১.৩.১০ বিবিধ বিষয়ক মন্ত্ৰ ঃ**

বিবিধ বিষয়ক মন্ত্ৰৰ ভিতৰত চোৰৰ মন্ত্ৰ, অমৃতমথনি মন্ত্ৰ আদি উল্লেখযোগ্য।

**(ক) চোৰৰ মন্ত্ৰ ঃ**

---

১৩৫ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৫)

*"গণপতয়ে নমঃ সোণাৰ নাঙল, ৰূপৰ ফাল*
*আছিল চোৰ জগতৰ কাল। হাত বান্ধো, পাৱ*
*বান্ধো, বান্ধো দশোদিশ, চোৰে কৰে উজান*
*ভাটি। মোৰ বচন দেৱীৰ হাক। নাহিবি চোৰ*
*আন্তৰি থাক। মোৰ বচন লৰ, গণেশৰ*
*মাথাখাৱ (ৰঙা খাগৰিৰ খুঁটি জাৰি*
*ঘৰৰ চাৰি চুকত মাৰিব লাগে।)"*[১৩৬]

**(খ) অমৃত মথনি মন্ত্ৰ ঃ**

*'এই মন্ত্ৰত দেৱাসুৰে কেনেকৈ অমৃত*
*মথিলে সেই বিষয়ে এটি সুন্দৰ আখ্যান*
*পোৱা যায়। লগতে অমৃত মথোঁতে আন*
*বস্তুৰ লগত কেনেকৈ কালকূট বিষৰ*
*উৎপত্তি হ'ল এই বিষয়ে বিৱৰি কোৱা হৈছে।'*[১৩৭]

**(গ) বীজমন্ত্ৰ ঃ** বীজমন্ত্ৰসমূহ প্ৰায়ে এক অক্ষৰ বিশিষ্ট যেনে—
হ্ৰীং ক্ৰীং শ্ৰীং ঐং হুং ক্ষৌং যাং ৰাং লাং বাং ক্ৰোং দং ইত্যাদি।

মন্ত্ৰত উচ্চাৰিত এনে ধ্বনিৰ স্পন্দনে মন্ত্ৰ সাহিত্যৰ গাম্ভীৰ্য বৃদ্ধি কৰিছে। জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো স্তৰৰ মানুহৰ মাজত মন্ত্ৰৰ বিশ্বাস থকাৰ বাবেই মন্ত্ৰ সাহিত্যকজন সাহিত্য Popular Poetry আখ্যা দিয়া হৈছে।

সৰ্ববিঘিনী নাশক মন্ত্ৰ এটিত বীজমন্ত্ৰৰ সকলো লক্ষণ দেখা যায়—

*'ওঁং, হ্ৰীং, কৃীং, কৃং, ফট, স্বাহা।'*

পদ্যত ৰচিত বীজমন্ত্ৰ এটি হৈছে সৰ্বস্থানে জয় লাভ কৰা মন্ত্ৰ ঃ ওঁং কৃং কৌং সৌং স্কৃং হিং হুং হুং দ্ৰং দহ দহ। পদা পদ অমুকাৰ অদ্যবধি মৰণ কালীন সৰ্ব্বাঙ্গ শৰীৰে ৰক্ষা কৰা কুৰু কুৰু স্বাহা।।...

---

১৩৬ সংবাদদাতা, নাথ, ওপৰসিং ৰজামায়ং (৭৫)
১৩৭ ভট্টাচাৰ্য এজেন্সী, বৰকৰতী পুথি, পৃ. ৬, ১১

'বীজমন্ত্র অৰ্থশূন্য নহয়, অন্তৰ্নিহিত অৰ্থৰে ঋদ্ধ এইবোৰৰ তাৎপৰ্য কেৱল সাধক সকলেহে উপলব্ধি কৰিব পাৰে। প্ৰতিগৰাকী দেৱ-দেৱী সুকীয়া সুকীয়া বীজমন্ত্ৰ আছে। স্বকীয় স্বকীয় বীজমন্ত্ৰৰ জৰিয়তে সেই [১৩৮] সেই দেৱ-দেৱীক জাগ্ৰত কৰিব পাৰি বুলি ভৱা হয়।

মনসা ঃ ওম্ ক্ৰীং মাং মনসা দৈব্যে নমঃ

শিৱ ঃ ওম্ ঐং প্ৰমত্তং শক্তি সংযুক্তং বাৰ্ণখ্যঞ্চ মহাপ্ৰভং

দুৰ্গা ঃ ওম্ হ্ৰীং দুৰ্গায়ৈ নমঃ

সূৰ্য ঃ ওম্ হ্ৰীং শ্ৰীসূৰ্যায়ে নমঃ

কৃষ্ণ ঃ ওম্ ক্লীং কৃষ্ণায়ে নম

শীতলা ঃ ওম্ শ্ৰী শীতলায়ৈ স্বাহা।

বীজমন্ত্ৰবোৰক এক প্ৰকাৰে  অৰ্থাৎ ক্ষুদ্ৰ জাগতিক ধ্বনি বুলিব পাৰি। এক অক্ষৰ, দ্বিঅক্ষৰ বা ত্ৰিঅক্ষৰ যুক্ত শব্দ কিছুমানৰ প্ৰয়োগ যাদুবিদ্যা, মায়াবিদ্যা, ডাকিনী বিদ্যা আদিৰ সৈতে জড়িত। যেনে—

*ওম্ ক্ৰীং চণ্ডে হ্ৰীং ফট স্বাহা*

*ওম্ হ্ৰীং ক্ষৌং ফট স্বাহা*

*ওম নমো দ্ৰীং কামিনীং অমুশং যে*

*বশমানয় স্বাহা।*

বীজমন্ত্ৰ তালপত্ৰ, ভূৰ্জপত্ৰ আদিত লিখি তাবিজ, মাদলি আদিত ভৰাই ৰচীৰে সংযুক্ত কৰি দেহৰ বিভিন্ন অংগত বান্ধি ল'লে ৰোগ-ব্যাধি নিৰাময় হয় আৰু ভূত প্ৰেত আদি আঁতৰি যায় বুলি বিশ্বাস কৰা হয়।

**৪.২ মন্ত্ৰৰ বৈশিষ্ট্য ঃ**

মায়ং অঞ্চলত প্ৰাপ্ত মন্ত্ৰসমূহ বিশ্লেষণ কৰিলে কিছুমান সাধাৰণ বৈশিষ্ট্য চকুত পৰে। মন্ত্ৰসমূহ লোকসমাজৰ দীৰ্ঘদিনীয়া বিশ্বাস আৰু জীৱন অভিজ্ঞতাৰ স্তুপীকৃত ৰূপ। মন্ত্ৰৰ উৎপত্তি একে দিনাই হোৱা নাছিল। বৈদিক যুগৰ মন্ত্ৰসমূহ ক্ৰমে ক্ৰমে লোকসমাজলৈ

১৩৮ ভট্টাচাৰ্য এজেন্সী, বৰকৰতী পুথি, পৃ. ৬, ১১

অগ্রসৰ হোৱাৰ লগে লগে মন্ত্ৰই বৈদিক বা সংস্কৃত ভাষাৰ গাম্ভীৰ্য হেৰুৱাই লোক ভাষাক সাৰথি কৰি আগবাঢ়িবলৈ ল'লে। তাৰ লগে লগে মন্ত্ৰৰ পৰিসৰ ব্যাপক আৰু বিস্তৃত হৈ পৰিল।

গোপনীয়তা আৰু ৰক্ষণশীলতা মন্ত্ৰ সাহিত্যৰ দুটি উল্লেখযোগ্য বৈশিষ্ট্য। যুগ যুগ ধৰি মুখ-পৰম্পৰা ৰূপে চলি অহা বাবে মন্ত্ৰ সাহিত্যতো কিছু অৰ্ব্বাচীনতা লক্ষ্য কৰা যায়। মন্ত্ৰক সেয়ে 'গুৰুমুখী বিদ্যা' বুলি অভিহিত কৰা হয়। অতি গোপনীয় ভাৱে গুৰুৰ পৰা পুৰুষানুক্ৰমে চলি আহি মন্ত্ৰ আজিৰ স্তৰত উপনীত হৈছে। মন্ত্ৰ ৰক্ষণশীল লোকসমাজৰ সম্পদ। মন্ত্ৰক যধে মধে বা যিকোনো ব্যক্তিক শিকোৱা নাযায়। নৈতিক চৰিত্ৰ সম্পন্ন আৰু বুদ্ধিমান ব্যক্তিকহে মন্ত্ৰৰ শিক্ষা দিয়া হয়।

মন্ত্ৰসমূহ মৌখিক সাহিত্যৰ অন্তৰ্গত। যুগ যুগ ধৰি পুৰুষানুক্ৰমে মন্ত্ৰই মুখ বাগৰি আজিৰ স্তৰত উপনীত হৈছে। মুখে মুখে বাগৰি অহাৰ ফল স্বৰূপে মন্ত্ৰত কিছুমান নতুন শব্দ সংযোজিত হৈছে, আনহাতে কিছু বিলুপ্ত হৈছে। মন্ত্ৰসমূহৰ ৰচনাকাল সঠিকভাৱে নিৰ্ণয় কৰা টান। মন্ত্ৰত দেৱ-দেৱীৰ নাম কামাখ্যা, পঞ্চ দেৱতা, সিদ্ধগুৰু আদিৰ নাম উল্লেখ কৰালৈ চাই অতি প্ৰাচীন কালৰ পৰা লোকসমাজত মন্ত্ৰৰ প্ৰচলন আছিল বুলি অনুমান কৰিব পাৰি। ভাষাতাত্ত্বিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় কিছুমান মন্ত্ৰ সংস্কৃত, কিছুমান প্ৰাকৃত মিশ্ৰিত, কিছুমান পুৰণি অসমীয়া শব্দ আৰু কিছুমান আধুনিক অসমীয়া শব্দৰ সংমিশ্ৰণ; গতিকে নিৰ্দিষ্ট এক ভাষাত ই লিখিত নহয়। সেয়ে মন্ত্ৰৰ উৎপত্তি সম্পৰ্কে সঠিক সিদ্ধান্তলৈ আহিব নোৱাৰি। অন্যহাতে মন্ত্ৰ গোপনীয়ভাৱে সম্প্ৰসাৰিত হোৱা বাবে ইয়াৰ ভাষাৰ পৰিবৰ্ত্তনৰ ৰূপ কম।

মন্ত্ৰৰ ৰচোঁতাৰ নাম পোৱা নাযায়। কোনো নিৰ্দিষ্ট লেখকৰ নাম মন্ত্ৰসমূহত পোৱা নাযায় বাবে ক'ব পাৰি মন্ত্ৰ বহু বছৰ ধৰি মানুহৰ সঞ্চিত অভিজ্ঞতাৰ ফল।

জৰাফুকা আদি বেদবাহ্য আচৰণৰ বাবে মন্ত্ৰসমূহক 'ওভোটা বেদ' আখ্যা দিয়া হৈছে। বৈদিক আচাৰ বিধি অনুসৰি পূজাপতা, যাগযজ্ঞ, বলিবিধান আদিৰ পৰিৱৰ্তে জৰাফুকা, কবচ-মাদলি বনৌষধি, বিভিন্ন দ্ৰব্যৰ সহায়ত এই চিকিৎসা বা সাধন প্ৰণালী

কৰা হয় বাবে মন্ত্ৰসমূহক এনে আখ্যা দিয়া হৈছে। অসমত বসবাস কৰা বৌদ্ধ আৰু ইছলামধৰ্মী লোকসকলৰ মাজতো মন্ত্ৰৰ প্ৰচলন আছে।

মন্ত্ৰসমূহত বিভিন্ন প্ৰকাৰৰ কাহিনী, উপকাহিনী আদিৰ সংযোজন উল্লেখযোগ্য বৈশিষ্ট্য। বিশেষকৈ কৰতি মন্ত্ৰসমূহত বিভিন্ন কাহিনী উপকাহিনী, বিভিন্ন ৰোগৰ উৎপত্তিৰ কাহিনী ইত্যাদি সংযোজিত হোৱা পৰিলক্ষিত হয়। ঠায়ে ঠায়ে আকৌ পুৰাণ, মহাকাব্য আদিৰ কাহিনীৰ পুনৰাবৃত্তি লক্ষ্য কৰা যায়। একেটা মন্ত্ৰতে আকৌ দুখন পুথিৰ দুটা কাহিনী সংযোজন হোৱা যায়। উদাহৰণ স্বৰূপে 'বায়ুকৰতি' মন্ত্ৰত পুৰাণ আৰু ৰামায়ণৰ কাহিনীৰ সংযোজন কৰা হৈছে।

মন্ত্ৰসমূহত মধ্যযুগত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকবিশ্বাসৰ প্ৰতিফলন ঘটিছে। বিভিন্ন জনগোষ্ঠীৰ নামৰ উল্লেখ মন্ত্ৰসমূহত দেখিবলৈ পোৱা যায়।

মন্ত্ৰসমূহত ছন্দৰ মিল নাই। বানন ভুল, ভুল ভাৱেৰে উচ্চাৰণ, অৰ্থবিহীন শব্দৰ ব্যৱহাৰ, সংগতিবিহীন বাক্য, খণ্ডবাক্য বা কাহিনীৰ অৱতাৰণা আদি দেখা যায়।

মন্ত্ৰসমূহত প্ৰায় পুনৰুক্তিৰ প্ৰাধান্য দেখা যায়। একেটা শব্দৰ উল্লেখ বাৰে বাৰে কৰি বিভিন্ন ৰোগসমূহৰ নাম বৰ্ণনা কৰি যোৱা হয়। সেয়ে একেটা মন্ত্ৰৰেই বিভিন্ন ৰোগৰ চিকিৎসা কৰা হয়। যেনে 'ফিৰিঙ্গিৰ বাণ গাঁঠি কাটো, ....। গলবেড়া, হেঙ্গেৰা, লুকি হেঙ্গেৰা, গল কন্টিকা, বেৰা বলধা, এভেৰীয়া, পখৰা....। বিভিন্ন ৰোগৰ নাম, দৰবৰ নাম অথবা কিছুমান পুনৰুক্তি কৰি দীঘলীয়া কৰা দেখা যায়।

মন্ত্ৰৰ ঠাইবিশেষে তান্ত্ৰিক বীজমন্ত্ৰৰ প্ৰয়োগ কৰি ৰহস্যঘন পৰিবেশ সৃষ্টি কৰা হৈছে। প্ৰায়বোৰ মন্ত্ৰৰে আগত বা পাছত এনে বীজমন্ত্ৰৰ প্ৰয়োগ মন কৰিবলগীয়া বৈশিষ্ট্য।

মন্ত্ৰসমূহৰ সাহিত্যিক মূল্যও অনস্বীকাৰ্য। বিভিন্ন ৰস, অলংকাৰ, খণ্ডবাক্য জতুৱা ঠাঁচৰ সংযোগে মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধিত সহায় কৰিছে। মন্ত্ৰসমূহত সুনিৰ্দিষ্ট ছন্দ নাই যদিও একেটা শব্দৰে পুনৰুক্তি কৰি ভাষাত এক লয়ৰ সৃষ্টি কৰা হয়। এই লয়ৰ ফলত মন্ত্ৰবোৰ উচ্চাৰণ কৰাত সুবিধা হয় আৰু সহজে মনত ৰয়। 'সোণৰ পুখুৰী ৰূপৰ ফাল' আদি বাক্যাংশৰ প্ৰয়োগে সৌন্দৰ্য আনিছে।

প্ৰাচীন ভাৰত বা অসমৰ ৰোগ সম্পৰ্কে মন্ত্ৰৰ জৰিয়তে জানিব পাৰি। একেটা ৰোগৰে বিভিন্ন প্ৰকাৰৰ নামসমূহো মন্ত্ৰত লিপিবদ্ধ হৈ আছে। বিভিন্ন বনৌষধি, দ্ৰব্য, সাধন প্ৰণালীৰ বৰ্ণনাৰে মন্ত্ৰসমূহ সমৃদ্ধ। মন্ত্ৰসমূহত ৰচকৰ বৰ্ণনাশক্তিৰ পৰিচয় পোৱা যায়। 'মন্ত্ৰসাহিত্যক প্ৰধানকৈ অসমীয়া ধাৰ্মিক বিশ্বাসৰ ইতিহাস' বুলি কোৱা হয়। প্ৰতিটো ধাৰ্মিক অনুষ্ঠানৰ কাৰ্য আৰু সাধন প্ৰণালীৰ বাবে মন্ত্ৰ উচ্চাৰিত হয়। এই মন্ত্ৰসমূহ একাদিক্ৰমে বৰ্ণনা কৰিলে ধৰ্মৰ ক্ৰিয়া কাণ্ডসমূহ ফট্‌ফটীয়াকৈ ওলায় পৰে। মন্ত্ৰৰ স্পন্দন শক্তি অবিহনে মন্ত্ৰই কাম নিদিয়ে বুলিয়ে বিশ্বাস। দ্বিতীয়তে এই বিদ্যা যাতে সৰ্বসাধাৰণে সহজে আয়ত্ত কৰিব নোৱাৰে তাৰ বাবেও সাৱধান হৈ খৰকৈ উচ্চাৰণ কৰাৰ প্ৰথা প্ৰচলিত আছে।

কিছুমান মন্ত্ৰত বৈষ্ণৱ প্ৰভাব পৰিলক্ষিত হয়। শংকৰী আৰু প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ প্ৰভাৱ মন্ত্ৰৰ ওপৰত পৰাৰ কাৰণ স্বৰূপে ক'ব পাৰি যে মন্ত্ৰৰ প্ৰচলন উক্ত কালছোৱাৰ আগৰপৰা হৈ আহিছে। ভক্তিধৰ্মৰ প্ৰভাৱত কিছুমান মন্ত্ৰত ভক্তিৰ অনুকূল ভাৱেও প্ৰকাশ লাভ কৰিছে। কাৰণ মন্ত্ৰ মৌখিক সাহিত্য। ই যুগ নিৰপেক্ষ। উদাহৰণ স্বৰূপে—

*"পূৰে বান্ধোভানু, ভাস্কৰ বান্ধো*
*ঘৰ বান্ধো, দ্বাৰ বান্ধো কলেকূট নামে নাৰায়ণ।*
*জানি নামে ৰাখিবাহা হৰি।*
*তোমাৰ দুখনি গাৰে।।..."* ইত্যাদি

(দীক্ষামন্ত্ৰ)[১৩৯]

মন্ত্ৰৰ সৈতে বিভিন্ন বনৌষধি, ঔষধিগুণ যুক্ত দ্ৰব্য ইত্যাদিৰ নাম সাঙোৰ খাই আছে। মন্ত্ৰ সমূহত এনে বহু নাম পোৱা যায় যিবোৰ বিভিন্ন ৰোগৰ প্ৰতিষেধক হিচাপে ব্যৱহাৰ কৰা যায়।

১৩৯ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ, লোনমাটি (৫৫)

**৪.৩ মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য ঃ**

সাহিত্যক সৌন্দৰ্যৰ দিশৰপৰা আলোচনা কৰিলে দেখা যায় যে মন্ত্ৰৰ গুৰুত্ব অপৰিসীম। যদিও সাহিত্য সৃষ্টিৰ উদ্দেশ্যে ৰচিত নহ'লেও মন্ত্ৰসমূহত সাহিত্যৰ সমল বিচাৰি পোৱা যায়।

মন্ত্ৰৰ গতি অতি খৰ। খৰকৈ উচ্চাৰণ কৰিব লগা হোৱা বাবে মনৰ গদ্যত এটি লয় আছে। লয়যুক্ত গদ্যৰ মন্ত্ৰসমূহক একপ্ৰকাৰৰ গীতৰ দৰে সুৰ ধৰি গোৱা হয়। 'গদ্যৰ সকলোবোৰ লক্ষণ নাথাকিলেও অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ ইতিহাসত মন্ত্ৰ-সাহিত্যত ব্যৱহৃত গদ্যৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে সৰহভাগতে বাক্য-বিন্যাস প্ৰকৰণৰ নিয়ম ৰক্ষিত হোৱা দেখা নাযায়। সেয়ে মন্ত্ৰৰ গদ্যক প্ৰকৃত গদ্য নুবুলি অসমীয়া গদ্যৰ প্ৰাৰম্ভিক নমুনা বোলাহে অধিক যুক্তিসংগত।'[১৪০]

মন্ত্ৰসমূহ গদ্য পদ্য উভয়তে ৰচিত হৈছে। কিছুমান মন্ত্ৰত কাহিনী সংযোজন কৰি দীঘলীয়া কৰা দেখা যায়। এই মন্ত্ৰসমূহক কৰতি মন্ত্ৰ বুলি কোৱা হয়।

মন্ত্ৰসমূহ যদিও সৰহভাগ কাব্যত লিখা, কিন্তু কাব্যত ব্যৱহৃত ছন্দ আদিৰ মিল এই সমূহত বিচাৰি পোৱা নাযায়।

একেটা শব্দ, বাক্য-পুনৰুক্তি কৰি মন্ত্ৰত কাব্যিক সৌন্দৰ্য আৰোপ কৰাৰ প্ৰয়াস দেখিবলৈ পোৱা যায়। বহুসংখ্যক মন্ত্ৰতে একেটা ৰোগৰ বিভিন্ন ভাগ, উপভাগ আদি মূল নামটোকে একেলগে উচ্চাৰণ কৰিও কাব্যিক সুষমা ৰক্ষা কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। এই সকলোবোৰ প্ৰকৃততে কৰা হয় বেজে মন্ত্ৰ সহজে, অনায়াসে উচ্চাৰণ কৰাৰ সুবিধাৰ অৰ্থে।

জতুৱা ঠাঁচৰ সঘন প্ৰয়োগ আৰু আলংকাৰিক বৰ্ণনাই মন্ত্ৰসমূহক সাহিত্যিক গুণেৰে সমৃদ্ধ কৰিছে। উদাহৰণ স্বৰূপে সুদৰ্শন চক্ৰৰ ভয়ত পেপুৱা লগা যক্ষবোৰৰ প্ৰসংগ উল্লেখ কৰিব পাৰি—

*'কাৰো একোখন কাণ কুলাৰ সমান।*
*এক কাণে দুই কাণে আৰু চাৰি কাণ।।*

---

১৪০ শৰ্মা দলৈ, হৰিনাথ ঃ অসমীয়া গদ্য সাহিত্যৰ গতিপথ, পৃ. ৫৪

*এক ভৰি দুই ভৰি কাৰো কোঙা ভৰি।*

*চক্ৰৰ ভয়ত সবে পলাই লৰৰি।।*

*অতি কতো দেলা কতো কণা কতো কুজা*

*কতো কতো খোৰা আৰু কতো বেজীমুৰা।।'*[১৪১]

স্ত্ৰী-মোহিনী মন্ত্ৰতো সাহিত্যিক সৌন্দৰ্যৰ আভাস পোৱা যায়। মন্ত্ৰটিৰ শব্দচয়ন, ভাষিক সৌন্দৰ্য অনুপম।

*'চন্দ্ৰে দিলে কটাৰী সূৰ্যে দিলে পাণ।....*

*শীতল পুখুৰী পিছল পানী, তাতে আছে কুম্ভ কৰণি..... ।'*[১৪২]

মন্ত্ৰসমূহত বিবিধৰসৰ সমাহাৰ মন কৰিবলগীয়া বিশেষত্ব। পুৰুষমোহিনী মন্ত্ৰত শংগাৰ ৰসৰ বৰ্ণনা, ধৰণী মন্ত্ৰ আদিত অদ্ভুত-বীৰ ৰসৰ, প্ৰাৰ্থনা মন্ত্ৰত শান্ত ভক্তি ৰসৰ প্ৰয়োগ হোৱা দেখা যায়।

*'মোহিনী মোহিনী যদি মুহিবাক লৈলা, হস্ত গা, আংগুলি জংঘা অতি সৰু দেখিলা যেন হৰৰ ডম্বৰু। হলফল কৰে যেন দুই স্তন, দেখিয়া পুৰুষৰ থিৰ নোহে মন।'*[১৪৩]

মায়ং অঞ্চলৰ মন্ত্ৰসমূহত তৎসম, তদ্ভৱ আৰু দেশজ শব্দৰ ব্যৱহাৰৰ উপৰিও বিদেশী শব্দ আৰু মায়ঙীয়া কথিত শব্দৰো সমাগম ঘটিছে। যেনে কৈৰাণ, 'দোহাই' আদি আৰবীয় শব্দ। মায়ঙৰ কথিত শব্দ হ'ল 'ডকলা ডকলী' (ভেকোলা ভেকুলী) আদি। সৰ্পৰ ধৰণী মন্ত্ৰসমূহত বঙালী ভাষাৰ শব্দৰ পয়োভৰ মনকৰিবলগীয়া।

বীজমন্ত্ৰ সমূহৰ দ্বাৰা মন্ত্ৰত ধবনিৰ স্পন্দন সৃষ্টি কৰি মন্ত্ৰসাহিত্যৰ গাম্ভীৰ্য বৃদ্ধি কৰিছে। বীজমন্ত্ৰসমূহ প্ৰায়ে এক অক্ষৰ বিশিষ্ট। যেনে— ক্লীং, ক্ৰীং, শ্ৰীং, ঐং, হুং, সৌং, যাং, ৰাং, লাং, বাং, ক্ৰোং, দাং ইত্যাদি। বীজমন্ত্ৰ সমূহ মন্ত্ৰৰ আদি, মধ্য আৰু অন্তত ব্যৱহাৰ হৈ মন্ত্ৰত তান্ত্ৰিক গাম্ভীৰ্য সৃষ্টি কৰিছে।

---

১৪১-১৪২ সংবাদদাতা, নাথ ওপৰ সিং, ৰজামায়ং (৭৫)

১৪৩ সংবাদদাতা, হাজৰিকা, তিলক, লোনমাটি (৫৫)

**৪.৪ মায়ঙত তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন কমি যোৱাৰ কাৰণ ঃ**

হেমন্ত কুমাৰ শৰ্মাই মায়ঙত বৰ্তমান তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন কমি যোৱাৰ কেইটামান কাৰণ উল্লেখ কৰিছে।

মায়ঙীয়া মন্ত্ৰৰ সাধকসকলে বংশানুক্ৰমে কিছুমান মন্ত্ৰ লিখি আহিছিল আৰু বৰ্ত্তমান উত্তৰাধিকাৰীসকলক নিশিকোৱা বা আন এচামৰ শিকাৰ প্ৰতি আগ্ৰহহীনতাৰ বাবে বহুমন্ত্ৰ বৰ্তমান লোপ পাবলৈ ধৰিছে।

তন্ত্ৰ-মন্ত্ৰৰ ক্ষেত্ৰত মন্ত্ৰৰ সাধকসকলে বিভিন্ন আসুৰিক পূজাপাতাল দিব লাগিছিল যদিও তেওঁৰ মৃত্যুৰ পিছত পৰিয়ালৰ লোক সেইবেজৰ পৰা বিৰত থকাৰ ইচ্ছা কৰি নদীত উটাই বা মৃতকৰ লগতে সেই পুথিবোৰ পুৰি পেলাই নিৰাপদ অনুভৱ কৰিছিল। এনে কাৰণৰ ফলতো বহুপুথি ধ্বংস হ'ল আৰু মন্ত্ৰসাধনা কমি গ'ল।

সাধকসকলে বহু নিয়মনীতিৰ মাজত থাকিছিল আৰু খাদ্য নীতিও পৃথকে ৰাখি মন্ত্ৰৰ সাধনা কৰিছিল। উত্তৰাধিকাৰীসকলে তেনে কঠোৰ নিয়মত থকাৰ পৰা বিৰত থকাত পুথিবোৰ আলৈ-আথানি হ'বলৈ ধৰিলে। ইয়ো পুথিবোৰ ধ্বংস হোৱাৰ আন এক কাৰণ। প্ৰাকৃতিক দুৰ্যোগ, মায়ঙত সঘনাই হোৱা বানপানী, ভুঁইকপ, পোক পৰুৱা আদিৰ বাবেও বহুপুথি বৰ্তমানো ধ্বংস হৈয়ে আছে। সাধকসকলে তন্ত্ৰ মন্ত্ৰ চৰ্চা কৰাৰ মূল কাৰণ হ'ল জীৱিকা অৰ্জন আৰু লোক সমাজৰ উপকাৰ সাধন কৰা। বৰ্তমান আধুনিক সমাজত পাশ্চাত্যৰ প্ৰভাৱত মন্ত্ৰৰ বিশ্বাস কমি আধুনিক চিকিৎসা বিজ্ঞানৰ কথা ভাবিবলৈ ধৰাত আৰু সামান্য উপাৰ্জনৰ কথা নাভাবি মন্ত্ৰৰ উপাসকসকলে অন্য ব্যৱসায়ত মনোনিবেশ কৰিলে।

অৰ্থ উপাৰ্জনৰ বাবে ৰাজ্যত গঢ়ি উঠা নানা ধৰণৰ ঔদ্যোগিক সম্প্ৰসাৰণ আৰু চৰকাৰী বেচৰকাৰী কৰ্মসংস্থানৰ বাবেও বহুলোকে মন্ত্ৰৰ সাধনা এৰি অধিক উপাৰ্জনৰ কথা চিন্তা কৰাত মন্ত্ৰ সাধনা বহু পৰিমানে কমি যোৱা দেখা যায়।

মন্ত্ৰৰ প্ৰভাৱ কমি অহাৰ লগে লগে পৰম্পৰাগত মন্ত্ৰ চিকিৎসা পদ্ধতিও লোপ পাবলৈ ধৰিলে।

অসমৰ সেমেকা জলবায়ুৰ বাবে সাঁচিপাত বা তুলাপাতত লিখা বহুমন্ত্ৰপুথি

পোক-পৰুৱাই খাই ধ্বংস বা সেমেকি জহি পমি গ'ল।

অতীততে অশিক্ষিত লোকৰ সংখ্যাই সৰহ হোৱা বাবে মুখ বাগৰিয়ে বহুমন্ত্ৰ প্ৰচলিত আছিল। অৰ্থাৎ মৌখিক সাহিত্যৰ আন আন বিভাগৰ দৰে মন্ত্ৰও লাহে লাহে বিলুপ্তিৰ পথলৈ গতি কৰিলে।

এনেবোৰ কাৰণতে মন্ত্ৰ আৰু ইয়াৰ চিকিৎসা প্ৰণালী প্ৰচলন কমি যাবলৈ ধৰিলে। তাৰোপৰি মায়ং অঞ্চলৰ শিক্ষিত আৰু এচাম অশিক্ষিত লোকৰ মন্ত্ৰৰ প্ৰতি অনিহাৰ বাবে মন্ত্ৰ বিলুপ্তিৰ পথলৈ গতি কৰিছে।

**৪.৫ মন্ত্ৰৰ শক্তি ঃ**

পণ্ডিতসকলে প্ৰমাণ কৰি দেখুৱাইছে যে প্ৰাগ-ঐতিহাসিক যুগতেই মানুহৰ আৰোগ্য সাধনৰ বাবে এফালে বিভিন্ন প্ৰাকৃতিক ঔষধৰ ব্যৱহাৰ আৰু আনফালে বিভিন্ন অলৌকিক বিশ্বাস পূজা-পাতল আদিৰ বিধান এই দুয়োটা পদ্ধতিয়েই গঢ় লৈ উঠিছিল, আধুনিক ভাৰতবৰ্ষত যাৰ প্ৰভাৱ আজিও বিদ্যমান।[১৪৪] মধ্য যুগৰ বিভিন্ন ভাৰতীয় সাহিত্যত মন্ত্ৰ আৰু অলৌকিক বিশ্বাসৰ পৰিচয় পোৱা যায়।

বৈদিক স্তৰতো দেখা যায় মন্ত্ৰ আৰু বনৌষধিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ অথৰ্ববেদত উল্লেখ থকা বিভিন্ন ৰোগ আৰু ঔষধিয়ে ইয়াৰ যুক্তিযুক্ততা দাঙি ধৰে। 'অথৰ্ব বেদত ঔষধি অৰ্থাৎ ঔষধৰ উপযোগী বৃক্ষসমূহৰ গুণ, ধৰ্ম, বিভিন্ন ৰোগত এই ঔষধি বৃক্ষসমূহৰ প্ৰয়োগ, ৰোগমুক্তিৰ অন্যান্য সাধন আৰু ৰোগীৰ পৰিচাৰ্যা সম্বন্ধে বিস্তৰ বৰ্ণনা সন্নিৱিষ্ট হৈছে।'[১৪৫] ঋকবেদৰ যুগত ভেষজবিদ্যা জনা বাবে চিকিৎসক সকলক ভিষগ্ বোলা হৈছিল।[১৪৬] অথৰ্ববেদৰ যুগতেই এই ভিষগ্ সকলে বিভিন্ন ৰোগত ৰোগীক ঔষধ প্ৰদান কৰে আৰু মৌখিক সান্ত্বনা দান কৰে। 'অথৰ্ববেদীয় ভিষগ্‌জনে ৰোগীক আশ্বস্ত কৰি কয় যে পৃথিৱীত যিবিলাক ঔষধি গুণযুক্ত গছ-লতিকা আছে সেই সকলো গছৰ শক্তি আহৰণ কৰি তেওঁ ৰোগীক বচাবলৈ যত্ন কৰে।[১৪৭] বনৰীয়া গছ-লতাৰ পৰা ঔষধ প্ৰস্তুত কৰি তেওঁলোকে ৰোগ-নিৰাময় কৰিছিল

১৪৪-১৪৬ গোস্বামী, মিহিৰজ্যোতি (সম্পা.) ঃ নিদানম, পৃ. ৫৪
১৪৭ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৪

আৰু ৰোগীক ৰোগমুক্ত কৰি দীৰ্ঘ জীৱন দান কৰিবলৈ গছলতাক প্ৰাৰ্থনা কৰিছিল।[১৪৮] চিকিৎসকজনৰ কৰ্ত্তব্য আছিল ৰোগীনিৰাময়ৰ লগতে ৰোগীক অভয় দান কৰা।[১৪৯] গছ-লতাৰ পৰা আহৃত দ্ৰব্যক মন্ত্ৰপূত কৰি ভিষগ্‌সকলে ৰোগীৰ ৰোগ নিৰাময়ৰ অৰ্থে ব্যৱহাৰ কৰিছিল।[১৫০] বৰণ গছৰ পৰা প্ৰস্তুত কৰা তাবিজক বিশ্বভেষজ অৰ্থাৎ সকলোৰোগৰ প্ৰতিষেধক বুলি কোৱা হৈছে। বিভিন্ন মন্ত্ৰ তাবিজ আদি প্ৰয়োগৰদ্বাৰা ৰোগীজনৰ আস্থা অটুট ৰাখিবলৈ অথৰ্ববেদীয় চিকিৎসকে কৈছিল "এয়া মই তোমাক ক্ষত্ৰিয় ৰোগৰপৰা মুক্ত কৰিছো। এয়া তোমাক দীৰ্ঘায়ু কৰিবলৈ সমৰ্থ হৈছো।"[১৫১] আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰধান গ্ৰন্থকৰ্ত্তা আচাৰ্য চড়ক আছিল কায় চিকিৎসক। চড়কে শাৰিৰীক আৰু মানসিক চিকিৎসাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কৈছিল যে— 'ৰাসায়নিক ঔষধ সেৱন কৰিলে মানুহ যিদৰে নিৰোগী হয় আৰু বলশক্তি পায় তেনেদৰে আচাৰ আচৰণ মানি চলিলেও অৰ্থাৎ সৎবাক্য, সদাচাৰ পালন কৰিলে মানুহৰ মানসিক উৎকৰ্ষ সাধিত হয়, মানুহে নিৰোগী আৰু দীৰ্ঘজীৱন লাভ কৰিব পাৰে।[১৫২] এই তথ্যসমূহৰ পৰা দেখা যায় যে অতি প্ৰাচীন কালতেই উদ্ভৱহোৱা এই চিকিৎসা পদ্ধতি বৈদিক আৰু উত্তৰ বৈদিক যুগত অধিক গাঢ় হৈ পৰিল। লোক জীৱনক মানসিক শক্তিৰ যোগান ধৰিবলৈ সৃষ্টি হ'ল অলেখ মন্ত্ৰৰ। মন্ত্ৰৰ চিকিৎসাৰ জৰিয়তে লোক-জীৱনক আস্থা আৰু বিশ্বাস অটুত ৰাখি ৰোগ নিৰাময়ৰ পথ প্ৰশস্ত কৰাৰ মানসিকতা গঢ় লৈ উঠিল। বিভিন্ন তাৱিজ, মাদলী, কবচ আদি মন্ত্ৰপূতঃ কৰি প্ৰয়োগ কৰা হ'ল।

মানুহৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে বনৌষধি আৰু মন্ত্ৰসমূহে লোকজীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই ক্ষেত্ৰত নতুন দিল্লীৰ সুবিখ্যাত মেক্স হস্পিতালৰ মানসিক ৰোগ বিশেষজ্ঞ সমীৰ পাৰিখৰ এষাৰ উক্তি প্ৰাণিধানযোগ্য। তেওঁ কৈছিল ধনাত্মক মানসিকতাই ৰোগ প্ৰতিৰোধৰ বাবে অতিৰিক্ত শক্তি যোগায়। আমেৰিকাৰ মানসিক ৰোগ বিশেষজ্ঞ সকলে দেখুৱাইছিল যে পানীলগাজ্বৰ

---

১৪৮-১৪৯ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৪
১৫০ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৩
১৫১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৬
১৫২ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৫

আৰু ইনফ্লুৱেনঞ্জা ৰোগ প্ৰতিৰোধৰ দিশত ধনাত্মক মানসিকতাই বিশেষ অৰিহণা যোগায়। ধনাত্মক মানসিকতাই এজন মানুহক স্বাভাৱিক অৱস্থাতো সুস্বাস্থ্য ৰক্ষা কৰাত সহায় কৰে।[১৫৩] মানুহৰ মনত ধনাত্মক মানসিকতাৰ সৃষ্টি হোৱাত সহায় কৰে। মন্ত্ৰৰ শব্দই শাৰিৰীকভাৱে অসুস্থ অৱস্থাত মানসিক শক্তিৰ যোগান ধৰি ক্ৰমে আৰোগ্য লাভ কৰাত সহায় কৰে। 'স্পেইনৰ প্ৰখ্যাত চিকিৎসা বিজ্ঞানী পভি বাৰ্ণাৰে প্ৰকাশ কৰিছে যে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ জৰিয়তে এজন ৰোগীৰ আত্মবিশ্বাস, মনোবল তথা সহ্য ক্ষমতা বৃদ্ধি কৰিব পৰা যায়, যিয়ে ৰোগীৰ ৰোগ আৰোগ্যৰ ক্ষেত্ৰত এক ধনাত্মক ভূমিকা লয়। তেওঁৰ মতে যিবোৰ ৰোগ প্ৰধানতঃ মনৰ পৰা উদ্ভৱ হোৱা সেই ৰোগবোৰ সহজে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ দ্বাৰা আৰোগ্য হয়।'[১৫৪] সেইদৰে দাৰ্শনিক জোচেফ মাৰ্ফি (Joseph Murphy)য়ে কোৱাৰ দৰে এখন জাহাজৰ পৰিচালক চেতন মন আৰু ভিতৰত মন্ত্ৰপাতি অৱচেতন মন। পৰিচালকে নিৰ্দেশ দিয়ে কিন্তু জাহাজৰ গতিপথৰ বিষয়ে কোনো জ্ঞান নোহোৱাকৈয়ে যন্ত্ৰপাতিয়ে সঠিকভাৱে কাম কৰে। সেয়ে কোৱা হয় ভালমন আৰু ভালচিন্তাই শৰীৰৰ সকলো কাৰ্য ধনাত্মক দিশলৈ লৈ যায়।'[১৫৫]

চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত Placebo effect বুলি এটা পদ্ধতি আছে। 'Inprovment in an ill person's condition when they have been given a plcebo instead of real medicine'[১৫৬] অৰ্থাৎ Placebo হ'ল a substance that is not medicine, so they get better. ৰিচাৰ্চ লেবৰেটৰী এটাত বিষনাশক দ্ৰব্য পৰীক্ষা কৰোতে দুজন ব্যক্তিক বাছি লোৱা হয়। এজনক দিয়া হয় দৰৱ আনজনক কেৱল কোৱা হয় বিষনাশক দৰৱ দিয়া বুলি। তেতিয়া দেখা যায় যে এজনৰ লগতে আনজনৰো ভাল হৈছে। চিকিৎসক সকলৰ মতে মগজুত ক্ৰিয়া কৰি দৰৱে এক বিশেষভাৱে কাম কৰে।[১৫৭] সেয়ে আৰোগ্য লাভ কৰে।

---

১৫৩ Psychosomatic Medicine, journal.
১৫৪ নাথ, উৎপল (সম্পা.), কালশিলা, পৃ. ১২৩
১৫৫ Joseph Marphy, The Sub Conscious Mind.
১৫৬ Mac Millan English Dictionary
১৫৭ দাস, জয়ন্ত, মনোৰোগ বিশেষজ্ঞ (দূৰদৰ্শন সাক্ষাৎকাৰ)

ইয়াৰ উপৰিও প্ৰত্যেক মানুহৰে এটা বৈশিষ্ট্য আছে যে প্ৰকৃতিগতভাৱে মানৱ প্ৰজাতি অভিভব্য (Suggestive)[১৫৮] অৰ্থাৎ প্ৰত্যেক মানুহৰো সহজে দিহা মানি লোৱাৰ এটা প্ৰৱণতা থাকে। ধৰ্মৰ ক্ষেত্ৰত ই অধিক প্ৰযোজ্য। গতিকে দেখা যায় যে মন্ত্ৰই মানৱ জীৱনৰ মগজুৰ এটা অংশত ক্ষণিক সময়ৰ বাবে পোহৰাবলৈ সক্ষম হয় আৰু ৰোগ আৰোগ্যৰ ক্ষেত্ৰত ই ধনাত্মক ক্ৰিয়া কৰে।

❑❑❑

১৫৮ দাস, জয়ন্ত, মনোৰোগ বিশেষজ্ঞ (দূৰদৰ্শন সাক্ষাৎকাৰ)